বিনামূলীয়া পাঠ্যপুথি

# অকণিৰ গণিত

## (প্ৰথম শ্ৰেণীৰ বাবে)




বিদ্যালয় শিক্ষা বিভাগ
অসম চৰকাৰ

# ৰাষ্ট্ৰীয় সংগীত

জন-গণ-মন-অধিনায়ক, জয় হে
ভাৰত-ভাগ্য-বিধাতা
পঞ্জাব-সিন্ধু-গুজৰাট-মাৰাঠা
দ্ৰাবিড়-উৎকল-বংগ
বিন্ধ্য-হিমাচল-যমুনা-গংগা
উচ্ছল-জলধি-তৰংগ
তব শুভ নামে জাগে, তব শুভ আশিস মাগে,
গাহে তব জয়-গাথা।
জন-গণ-মংগল-দায়ক জয় হে
ভাৰত-ভাগ্য-বিধাতা।
জয় হে, জয় হে, জয় হে,
জয় জয় জয় জয় হে।


(উৎস - গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ)
https://www.mha.gov.in/sites/default/files/National Anthem%28E%29_2.pdf



# অকণিৰ গণিত

(প্ৰথম শ্ৰেণীৰ বাবে)

(পাঠ্যপুথি তথা অভ্যসন পুথি)



U4R1N6

প্ৰস্তুতকৰণ

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা গুৱাহাটী-১৯





নাম ঃ..............................................................................

বিদ্যালয়ৰ নাম ঃ..............................................................

শ্ৰেণী ঃ ........................................ ৰোল নং ঃ............................

অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড, গুৱাহাটী

**AKANIR GANIT :** A textbook cum workbook on Mathematics for class 1 developed & reviewed by SCERT, Assam through workshops, approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Limited, Guwahati on behalf of Govt. of Assam.

FREE TEXTBOOK

All rights reserved : No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews) may be made without written authorization from the copyright authorities.

© : State Council of Educational Research and Training, Assam

**প্ৰথম প্ৰকাশ** ঃ ২০২৪

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

মুদ্ৰক ঃ ইডেন প্ৰিণ্টাৰ্ছ এণ্ড পাব্‌লিচাৰ্ছ
পানীখাইতী, গুৱাহাটী-৫০

**ডাঃ ৰনোজ পেগু,** এম. বি. বি. এছ
মন্ত্ৰী, অসম

सत्यमेव जयते

**শিক্ষা, ভৈয়াম জনজাতি আৰু**
**পিছপৰা শ্ৰেণী কল্যাণ বিভাগ**



# শুভেচ্ছাবাণী...

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাৱান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্য্যন্ত সম্প্ৰসাৰিত কৰি আহিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমবেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপ্‌টপ্' বা তাৰ বিনিময়ত আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দুৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পবিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ তথা অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছো। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলো।

**(ডাঃ ৰনোজ পেগু)**
শিক্ষামন্ত্ৰী, অসম

# পাতনি

শিশুকেন্দ্ৰিক শিক্ষা পদ্ধতিৰ সফল ৰূপায়ণৰ লগতে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ ক্ষেত্ৰত বিদ্যালয়সমূহত পাঠ্যপুথিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে প্ৰাথমিক বিদ্যালয়ত সাৰ্বজনীন বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ জ্ঞানপ্ৰাপ্ত কৰোৱাটো আমাৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ। ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে অসম চৰকাৰৰ নিৰ্দেশ সাপেক্ষে সময়ে সময়ে প্ৰাথমিক স্তৰৰ পাঠ্যপুথিসমূহ প্ৰস্তুত আৰু পুনৰীক্ষণ কৰি আহিছে। এইবেলি 'অকণিৰ গণিত' নামেৰে গণিত বিষয়ৰ প্ৰথম শ্ৰেণীৰ নতুন পাঠ্যপুথি ২০২৪-২৫ শিক্ষাবৰ্ষৰ পৰা বিদ্যালয়সমূহত প্ৰচলন হ'ব পৰাকৈ প্ৰস্তুত কৰি উলিয়াইছে। এই পুথিখন 'ৰাষ্ট্ৰীয় কেৰিকুলাম ৰূপৰেখা ২০২২ বুনিয়াদী স্তৰ' (NCF-FS)ৰ আধাৰত প্ৰাথমিক পৰ্যায়ৰ বাবে প্ৰস্তুত কৰা ৰাজ্যিক পাঠ্যক্ৰম আৰু শেহতীয়াকৈ ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লীৰ দ্বাৰা প্ৰস্তুত কৰা পাঠ্যপুথিৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে।

শিশুসকলক গণিতৰ প্ৰাথমিক ধাৰণাবোৰ আয়ত্ত কৰাওঁতে তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি এই পাঠ্যপুথিখনত যথেষ্ট ক্ৰিয়া-কলাপ সন্নিবিষ্ট কৰা হৈছে। পাঠ্যপুথিৰ পাঠসমূহৰ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষকসকলে 'নিপুণ অসম'ৰ অধীনত বিদ্যালয়লৈ পঠোৱা কাৰ্যপত্ৰৰ সৈতে সংৰেখিত কৰিব লগতে শিক্ষকৰ হাতপুথিৰ সহায় লৈ শিকন প্ৰক্ৰিয়া আনন্দদায়ক কৰিব বুলি আশা কৰা হ'ল।

কৰ্মশালাৰ জৰিয়তে পাঠসমূহ প্ৰস্তুত কৰোঁতে অভিজ্ঞ শিক্ষক, শিক্ষক-প্ৰশিক্ষকৰ সহায় লোৱা হৈছে। এই ছেগতে তেখেতসকলক আমাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ৰাজ্যখনৰ বিভিন্ন শিক্ষক-শিক্ষয়িত্ৰী তথা সমল ব্যক্তিৰ পৰামৰ্শত খুব কম দিনৰ ভিতৰত এই পাঠ্যপুথিখন প্ৰস্তুত কৰি উলিওৱা হেতুকে অনিচ্ছাকৃতভাৱে কিছু ভুল ৰৈ যাব পাৰে। তেনে ভুলসমূহ আঙুলিয়াই গঠনমূলক দিহা-পৰামৰ্শ দিবলৈ সদাশয় ব্যক্তিসকলক অনুৰোধ জনালোঁ।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

# সূচীপত্ৰ


| পাঠ নং | পাঠৰ নাম | পৃষ্ঠা |
|---|---|---|
| ১ | প্ৰাক্-গাণিতিক ধাৰণা | ১-১২ |
| ২ | ১ৰ পৰা ৯লৈ সংখ্যাৰ ধাৰণা | ১৩-২৫ |
| ৩ | আকৃতি | ২৬-৩৪ |
| ৪ | যোগ (১ৰ পৰা ৯লৈ) | ৩৫-৪৬ |
| ৫ | বিয়োগ | ৪৭- ৫৫ |
| ৬ | ১০ৰ পৰা ২০লৈ সংখ্যাৰ ধাৰণা | ৫৬-৬৬ |
| ৭ | সময় | ৬৭-৭৩ |
| ৮ | যোগ-বিয়োগ (২০ৰ ভিতৰত) | ৭৪-৮৫ |
| ৯ | জোখ-মাখ | ৮৬-৯৪ |
| ১০ | সংখ্যাৰ ধাৰণা (২১ৰ পৰা ৯৯লৈ) | ৯৫-১১৩ |
| ১১ | বাৰে বাৰে যোগ | ১১৪-১১৭ |
| ১২ | তথ্যৰ ব্যৱহাৰ | ১১৮-১২১ |
| ১৩ | চানেকি | ১২২-১২৫ |
| ১৪ | টকা আৰু পইচা | ১২৬-১৩০ |

# ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR Code ব্যৱহাৰ কৰিব?

DIKSHA





আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in টাইপ কৰক আৰু tap button স্পৰ্শ কৰক ।

অথবা




Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক

## মোবাইলত QR Code ব্যৱহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি




1. অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক
2. আপোনাৰ ভূমিকা বাছনি কৰক- ছাত্ৰ/ শিক্ষক/অন্য
3. QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক
4. প্ৰৱেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক
5. পাঠ্যপুথিৰ QR Codeত Camera কেন্দ্ৰীভূত/ দৃষ্টিপাত (Focus) কৰক
6. QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক

## Desktop অত QR Code ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি





QR Codeৰ তলত আপুনি ছটা অংকবিশিষ্ট সংখ্যাটো (ডায়েল কোড) দেখিব




আপোনাৰ ব্ৰাউজাৰত https://diksha.gov.in/as/get টাইপ কৰক




৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktopৰ চাৰ্চবাৰডালত লিখক



উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক

পাঠ -১

# প্রাক্-গাণিতিক ধাৰণা




আহা আহা আহা আমি
বল খেলোঁ আহা
একেলগে মিলিজুলি
খেল খেলোঁ আহা






## করোঁ আহা-

**সৰু** তৰমুজটোত '✓' চিন দিওঁ আহা -




**ডাঙৰ** বলটোত ৰং কৰোঁ আহা -








**চুটি** পেঞ্চিলডালত '✓' চিন দিওঁ আহা-




**দীঘল** নেজৰ বান্দৰটোত ঘেৰ দিওঁ আহা-



**আটাইতকৈ চুটি** চামুচখনত নীলা ৰং কৰোঁ আহা



**আটাইতকৈ দীঘল** ৰচী ডালত ৰঙা ৰং কৰোঁ আহা -





**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে বিদ্যালয়ত সহজে উপলব্ধ বস্তুৰ সহায়ত সৰু-ডাঙৰ আৰু চুটি-দীঘলৰ ধাৰণা দিব।




**পাতল** কাপোৰ বিধত ঘেৰ দিওঁ আহা-



 

**ডাঠ** কিতাপখনত '✓' চিন দিওঁ আহা-


 

**কৰোঁ আহা-**

**চাপৰ** জখলাডালৰ ছবিখনত ঘেৰ দিওঁ আহা -


**ওখ** গছজোপাৰ ছবিখনত সেউজীয়া ৰং কৰোঁ আহা-


**আটাইতকৈ ওখ** মমবাতিডালত '✓' চিন দিওঁ আহা -




**আটাইতকৈ চাপৰ** জন্তুটোত ঘেৰ দিওঁ আহা -




**পিছত** থকাটোত ঘেৰ দিওঁ আহা -



**আগত** থকা বাহনখনত '✓' চিন দিওঁ আহা-





খোজকাঢ়ি আহি থাকিলে কোনজন শিশু **আগতে** বিদ্যালয় পাব '✓' চিন দিওঁ আহা। একেবাৰে **পিছত** থকা শিশুজনক ঘেৰ দিওঁ আহা।

## খেলোঁ আহা-


শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক এটা শাৰীত থিয় কৰাই ল'ব। এতিয়া মজিয়াত এডাল আঁচ টানি দিব। শিক্ষকে **আগত** বুলি ক'লে ছাত্ৰ-ছাত্ৰীসকলে আগলৈ জঁপিয়াব আৰু **পিছত** বুলি ক'লে পিছলৈ জঁপিয়াব। ছাত্ৰ-ছাত্ৰীসকলক কিছুসময় এই খেলটো খেলিবলৈ দিব।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে অসমৰ বিভিন্ন স্থানীয় খেল অথবা মনোগ্ৰাহী ক্ৰিয়া-কলাপৰ জৰিয়তে **আগত-পিছত, ওখ-চাপৰ** আৰু **ডাঠ-পাতলৰ** ধাৰণা শিশুৰ বাবে বোধগম্য হোৱাকৈ শ্ৰেণীকোঠাত অৱতাৰণা কৰিব।




গছ এজোপাত বহুত আম লাগি আছিল। মৰমীয়ে গছজোপাৰ **তলত** পৰি থকা আমবোৰ বুটলি ঘৰলৈ লৈ গৈছিল। মৰমীৰ দেউতাকে গছজোপাৰ **ওচৰত** বহি **দূৰত** ছাগলী এটাই ঘাঁহ খাই থকা চাই আছিল। ছাগলীটোৰ **ওপৰত** শালিকা এজনী বহি আছিল।

ঘৰৰ **ভিতৰত** মাকে আমবোৰ ধুই বাকলি গুচাই সকলোকে ভগাই দিলে। ছাগলীজনীয়ে ঘৰৰ **বাহিৰৰ** পৰাই তেওঁলোকলৈ চাই আছে।



মাকে ছাগলীজনীকো আম খাবলৈ দিলে। ছাগলীজনীয়ে আনন্দেৰে আম খালে।



শুদ্ধ উত্তৰত '✓' চিন দিয়া -

(ক) মৰমীৰ দেউতাক ক'ত বহি আছিল? গছজোপাৰ **ওচৰত/দূৰত**।


(খ) আমবোৰ মাকে ক'ত ধুলে? ঘৰৰ **ভিতৰত/বাহিৰত**।

(গ) শালিকাজনী ক'ত বহি আছিল? ছাগলীজনীৰ **ওপৰত /তলত**।

গছজোপাৰ **ওপৰত** থকাটোত ঘেৰ দিওঁ আহা-



মেজৰ **তলত** থকা বস্তুটোত ঘেৰ দিওঁ আহা-




ঘৰটোৰ **ওচৰত** থকা গছজোপাত ৰং কৰোঁ আহা-




বলটোৰ পৰা **দূৰত** থকা ল'ৰাজনক '✓' চিন দিওঁ আহা-



পাত্ৰৰ **ভিতৰত** থকা ব্ৰাছডালত ঘেৰ দিওঁ আহা -



বাকচৰ **বাহিৰত** থকাটোত ৰং কৰোঁ আহা-



**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিভিন্ন নিৰ্দেশনামূলক বাক্য যেনে — 'বলটো টেবুলৰ **তলত/ওপৰত** থোৱা।' 'তুমি ব্লেকব'ৰ্ডৰ **ওচৰ**লৈ আহা/**দূৰ**লৈ যোৱা।' 'তুমি **বাহিৰ**লৈ যোৱা/**ভিতৰ**লৈ আহা' আদি ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীক বিভিন্ন কাৰ্য কৰিবলৈ দিব।




## করোঁ আহা-


**গধুৰ**টোত '✓' চিন দিওঁ আহা -

**পাতল**টোত '✓' চিন দিওঁ আহা

ছবিত থকা **শকত** বেঙেনাটোত বেঙুনীয়া আৰু **ক্ষীণ**টোত হালধীয়া ৰং কৰোঁ আহা -


ৰাণী আৰু ৰাজেনহঁতৰ বাৰীত বহুত পাচলি লাগিছে। দুয়োয়ে বাৰীৰ পাচলিৰ গছবোৰত সদায় পানী দিয়ে। আজি ৰাণী আৰু ৰাজেনে পাচলি চিঙিবলৈ গ'ল।




**কম**কৈ লাড়ু থকা থালখনত ঘেৰ দিওঁ আহা -



**আটাইতকৈ বেছি** আম থকা খৰাহিটোত ঘেৰ দিওঁ আহা আৰু **আটাইতকৈ কম** আম থকা খৰাহিটোত '✓' চিন দিওঁ আহা-



## বিদ্যালয়ৰ ৰান্ধনীঘৰটো চাওঁ আহা-

ৰান্ধনীঘৰত দেখা **খালী** বস্তুবোৰত ঘেৰ দিয়া। **পূৰ** হৈ থকা বস্তুবোৰত '✓' চিন দিয়া।



## শিক্ষকে মুখে মুখে সুধিব

- ভাত ৰান্ধিবলৈ ৰন্ধন গেছ ব্যৱহাৰ কৰিছে, নে খৰি ব্যৱহাৰ কৰিছে?
- খৰাহিটোত থকা পাচলি কেইবিধৰ নাম ক'ব পাৰিবানে?

আজি ৰহিমে আইতাক আৰু ভনীয়েক আয়েশাৰ লগত মেলা চাবলৈ গ'ল। আইতাকে আয়েশাক গৰম গৰম জিলাপি কিনি দিলে। ৰহিমে আকৌ আইচক্ৰীমহে কিনিলে আৰু তিনিওজনে ভগাই খালে। মেলা চাই তিনিওজনে ৰং মনেৰে ঘৰলৈ উভতি আহিল।



## এতিয়া কোৱাচোন-

- ৰহিমে কাৰ লগত মেলা চাবলৈ গৈছিল?
- আইতাকে আয়েশাক কি কিনি দিছিল?
- ৰহিমে কি কিনিছিল?
- ছবিখনত থকা জিলাপিবোৰ **গৰম** নে ঠাণ্ডা?
- আইচক্ৰীম **গৰম** নে ঠাণ্ডা?

ঠাণ্ডাৰ দিনৰ ছবিখনত '✓' চিন দিওঁ আহা-





**গৰম** বস্তু বুজোৱা ছবিখনত ৰং কৰোঁ আহা-





**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীৰ লগত গৰম আৰু ঠাণ্ডাৰ দিনৰ খাদ্য, কাপোৰ, কৃষি কৰ্ম আৰু উৎসৱ-পাৰ্বণৰ বিষয়ে আলোচনা কৰিব।




**ছবিখন চাই শুদ্ধ উত্তৰত '✓' চিন দিওঁ আহা -**

ট্ৰেফিক চিগ্‌নেলৰ **ওপৰৰ**টোত (হালধীয়া / ৰঙা / সেউজীয়া) লাইট আছে।

ট্ৰেফিক চিগ্‌নেলৰ **মাজৰ**টোত (হালধীয়া / ৰঙা / সেউজীয়া) লাইট আছে।

ট্ৰেফিক চিগ্‌নেলৰ **তলৰ**টোত (হালধীয়া / ৰঙা / সেউজীয়া) লাইট আছে।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লগত যান-বাহন চলোৱাৰ নিয়ম, পথ সুৰক্ষা আৰু ট্ৰেফিক চিহ্নসমূহৰ বিষয়ে আলোচনা কৰি এই বিষয়ে ছাত্ৰ-ছাত্ৰীক সজাগ কৰি তুলিব।



## ছবি চাই মীৰাৰ আল্‌মাৰিত বস্তু বিচাৰোঁ আহা

 বলটো আল্‌মাৰিটোৰ কোনটো খাপত আছে?

**(ওপৰৰ/ মাজৰ/তলৰ)**


 বেগটো আল্‌মাৰিটোৰ কোনটো খাপত আছে?

**(ওপৰৰ/ মাজৰ/তলৰ)**

 কাপোৰবিলাক আল্‌মাৰিটোৰ কোনটো খাপত আছে? **(ওপৰৰ/ মাজৰ/তলৰ)**

## কেৰম খেলোঁ আহা-

ৰঙা গুটিটো কেৰমবোৰ্ডৰ ক'ত আছে?
**মাজত/কাষত/চুকত**
নীলা গুটিটো কেৰমবোৰ্ডৰ ক'ত আছে?
**মাজত/কাষত/চুকত**
বগা গুটিটো কেৰমবোৰ্ডৰ ক'ত আছে?
**মাজত/কাষত/চুকত**



**মজিয়াত থকা বাচনখিনি আল্‌মাৰিৰ কোনটো খাপত থ'বা, আঁচ টানি মিলোৱা**




**প্ৰকল্প**


শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক নিজৰ কিতাপ-বহী, কাপোৰ, জোতা-চেণ্ডেল আদি ঘৰৰ সঠিক ঠাইত পৰিপাটিকৈ সজাবলৈ অনুশীলন কৰাব।

## আমাৰ বিদ্যালয়খন একেলগে পৰিষ্কাৰ কৰোঁ আহা-




**শিক্ষকলৈ নিৰ্দেশনা**

শিক্ষকে প্ৰতিবিধ পেলনীয়া সামগ্ৰীৰ থুপক কোনটো ৰঙৰ ডাষ্টবিনত পেলাব লাগে, সেই কথা ছাত্ৰ-ছাত্ৰীক বুজাই দিব আৰু ডাষ্টবিনৰ সঠিক ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিব।



**ওপৰৰ ছবিখনত ৰং কৰোঁ আহা-**

✡ ফুলৰ **ডাঙৰ** টাবটোত ৰঙা **সৰু**টোত নীলা

✡ **ওখ** গছজোপাত সেউজীয়া আৰু **চাপৰ** গছজোপাত হালধীয়া

**ছবিখনত ঘেৰ দিওঁ আহা-**

- **পিছৰ** পুতলা গাড়ীখনত
- শ্লাইডেৰে **তললৈ** নামি অহাজনক
- **বেছি** ফুল থকা টাবটোত
- **ডাঠ** কিতাপখনত
- **শকত** গাজৰটোত

**শুদ্ধ উত্তৰটোত ✓ চিন দিওঁ আহা-**


| | | |
|---|---|---|
| (ক) ফুলনিৰ **ভিতৰত** কি আছে? |  |  |
| (খ) কোনটো বেছি **গধুৰ**? |  |  |
| (গ) কোনটো **গৰম**? |  |  |

পাঠ - ২

## ১ৰ পৰা ৯লৈ সংখ্যাৰ ধাৰণা


L4F6L3

লগে ভাগে গণো আহা-



**এক**

হাতীৰ শুঁৰ এক ১



**দুই**

আমাৰ চকু দুই ২




**তিনি**

ৰিক্সাৰ চকা তিনি ৩



**চাৰি**

গৰুৰ ঠেং চাৰি ৪



**পাঁচ**

হাতৰ আঙুলি পাঁচ ৫



**ছয়**

পতংগৰ ঠেং ছয় ৬



**সাত**

ৰামধেনুত ৰং সাত ৭



**আঠ**


মকৰাৰ ঠেং আঠ ৮



**ন**

ফুলি আছে ফুল ন ৯

## কেইটাকৈ আছে কওঁ আহা-




## লিখোঁ আহা-



| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ১ | ১ | ১ | | | | | |
| ২ | ২ | ২ | | | | | |
| ৩ | ৩ | ৩ | | | | | |
| ৪ | ৪ | ৪ | | | | | |
| ৫ | ৫ | ৫ | | | | | |
| ৬ | ৬ | ৬ | | | | | |
| ৭ | ৭ | ৭ | | | | | |
| ৮ | ৮ | ৮ | | | | | |
| ৯ | ৯ | ৯ | | | | | |




ছবিখন চাই কিমানটা আছে কাষৰ বাকচত লিখোঁ আহা-



ছবি চাই গণনা কৰি কওঁ আৰু সংখ্যাবোৰ লিখোঁ আহা-

| | | |
|---|---|---|
|  | ১ | এক |
|  | | দুই |
|  | | তিনি |
|  | | চাৰি |
|  | | পাঁচ |
|  | | ছয় |
|  | | সাত |
|  | | আঠ |
|  | | ন |

ছবিৰ লগত সংখ্যা মিলাওঁ আহা-



৫

১

৬

২

৭


৮

৯


৪

৩


**কাষত দিয়া সংখ্যা অনুসৰি তলৰ বস্তুবোৰত ঘেৰ দিওঁ আহা-**




৩টা বটল



৪খিলা পাত



৬পাহ ফুল




৫টা চৰাই

## ৰং কৰোঁ আহা-


১ জোপা (এজোপা) গছত সেউজীয়া ৰং কৰোঁ আহা-




২টা (দুটা) হাঁহত মটিয়া ৰং কৰোঁ আহা




৩ পাহ ফুলত ৰঙা ৰং কৰোঁ আহা



৪টা বেলুনত কমলা ৰং কৰোঁ আহা



৫টা অমিতাত হালধীয়া ৰং কৰোঁ আহা



## খেলোঁ আহা-

ছাত্র-ছাত্রীসকলে বৃত্তাকাৰে ঘূৰি থাকিব। শিক্ষকে এটা সংখ্যা ক'ব। সেই সংখ্যা মতে ছাত্র-ছাত্রীসকলে দল বান্ধিব। যিটো দলত সেই নিৰ্দিষ্ট সংখ্যাটোতকৈ কম বা বেছিসংখ্যক ছাত্র-ছাত্রী থাকিব, সেই দলৰ ছাত্র-ছাত্রী খেলৰ বাহিৰ হ'ব লাগিব।

## খালী ঠাইত একাদিক্রমে সংখ্যা লিখোঁ আহা-

| | | | | | |
|---|---|---|---|---|---|
| ১ | ২ | | | | ৬ |
| ২ | ৩ | | | | ৭ |
| ৪ | | | ৭ | | |

## খালী ঠাইত বিপৰীতক্রমে সংখ্যা লিখোঁ আহা-

| | | | | | |
|---|---|---|---|---|---|
| ৬ | ৫ | | | | ১ |
| ৯ | ৮ | | | ৫ | |
| ৭ | | ৫ | | | ২ |

**শিক্ষকলৈ নির্দেশনা ঃ** শিক্ষকে 'একাদিক্রমে' 'বিপৰীতক্রমে' আদি শব্দবোৰৰ অর্থ বুজাত শিশুক উৎসাহিত কৰিব।

## আগৰ সংখ্যাটো লিখোঁ আহা-

| | | | | | |
|---|---|---|---|---|---|
| ১ | ২ | | ৩ | | ৭ |
| | ৪ | | ৬ | | ৯ |

## পিছৰ সংখ্যাটো লিখোঁ আহা-

| | | | | | |
|---|---|---|---|---|---|
| ৩ | ৪ | ৫ | | ৭ | |
| ৪ | | ৬ | | ৮ | |

**মাজৰ সংখ্যাটো লিখোঁ আহা-**

- ১ ২ ৩
- ২ ___ ৪
- ৩ ___ ৫
- ৫ ___ ৭
- ৪ ___ ৬
- ৭ ___ ৯

**ডাঙৰ সংখ্যাটোত ঘেৰ দিওঁ আহা-**

- ৬ (৭)
- ২ ৬
- ৩ ৫
- ৪ ৯
- ৫ ৩ (৮)
- ৪ ৭ ৫
- ২ ৪ ৬
- ১ ৫ ৩

**সৰু সংখ্যাটোত ঘেৰ দিওঁ আহা-**

- ৫ (৪)
- ২ ৬
- ৬ ৪
- ৩ ৭
- ৬ ৭ (৩)
- ৭ ৮ ৯
- ৮ ৭ ৩
- ৫ ৪ ৮

## দৌৰ প্ৰতিযোগিতাত অংশ লোৱা ল'ৰা-ছোৱালীবিলাকৰ স্থান চাওঁ আহা-





### জানি লওঁ আহা-

| | |
|---|---|
| ১ম - প্ৰথম | ৬ষ্ঠ - ষষ্ঠ |
| ২য়- দ্বিতীয় | ৭ম- সপ্তম |
| ৩য়- তৃতীয় | ৮ম- অষ্টম |
| ৪ৰ্থ - চতুৰ্থ | ৯ম - নৱম |
| ৫ম- পঞ্চম | ১০ম- দশম |

### ৰং কৰোঁ আহা-

বাছখনৰ পিছফালৰ পৰা **৩য়** স্থানত থকা খিৰিকীখনত **নীলা** ৰং কৰা।


আগফালৰ চালকজনৰ পিছৰ পৰা **৪ৰ্থ** স্থানত থকা খিৰিকীখনটো **ৰঙা** ৰং কৰা।




বলটোৰ পৰা **১ম** আৰু **৪ৰ্থ** স্থানত থকা শিশু দুজনক ঘেৰ দিওঁ আহা-



বাওঁফালৰ পৰা প্ৰথম **পাঁচটা** গাজৰত কমলা ৰং আৰু সোঁফালৰ পৰা **দুটা** গাজৰত হালধীয়া ৰং কৰোঁ আহা-




কাপ আৰু প্লেট **আঁচ টানি মিলাওঁ** আহা আৰু কাপ বা প্লেটৰ কোনবিধ বেছি আছে ঘেৰ দিওঁ আহা-



পেণ্ট আৰু চাৰ্ট **আঁচ টানি মিলাওঁ** আহা আৰু চাৰ্ট বা পেণ্টৰ কোনবিধ বেছি আছে ঘেৰ দিওঁ আহা-




তলা আৰু চাবি **আঁচ টানি মিলাওঁ** আহা আৰু তলা বা চাবিৰ কোনবিধ বেছি আছে ঘেৰ দিওঁ আহা-



## ১ৰ পৰা ৯ৰ ভিতৰত হেৰোৱা সংখ্যাটো বিচাৰি লিখোঁ আহা-

| | | |
|---|---|---|
| ৮ | ৪ | ১ |
| ২ | ৬ | ৯ |
| | ৭ | ৩ |




## ভাবি কোৱা-




**প্ৰকল্প ঃ** ছাত্ৰ-ছাত্ৰীক ১ৰ পৰা ৯লৈ সংখ্যাকাৰ্ড প্ৰস্তুত কৰিবলৈ দিব। কাগজ এখনত ওপৰৰ পৰা তললৈ, ১ৰ পৰা ৯লৈ লিখি সংখ্যাটোৰ কাষত আঙুলিৰ ছাপ দিবলৈ দিব।

পাঠ - ৩

# আকৃতি

## লগে ভাগে গাওঁ আহা-






কমলা, আমলখি
আৰু ৰবাব টেঙা,
বলটোৰ দৰে গোল আকৃতিৰ
হয়নে নহয় কোৱা।
তেনেকুৱা আৰু কি দেখিছা
অলপ ভাবি কোৱা।





**তলৰ গোল আকৃতিৰ বস্তুবোৰত ঘেৰ দিওঁ আহা—**





**তলৰ ছবিত থকা দীঘলীয়া বস্তুবোৰত ✓চিন দিওঁ আহা –**








আইচক্ৰীমটোৰ  দৰে আকৃতিৰ বস্তুবোৰত ঘেৰ কৰোঁ আহা --










বিনীৰ দেউতাকে বজাৰৰ পৰা বিনীৰ বাবে এযোৰ জোতা আৰু টুথপেষ্ট আনিছে। বিনীয়ে জোতা আৰু টুথপেষ্টৰ বাকচ দুটা চাই আনন্দ পালে।

জোতাৰ বাকচটোৰ (  ) দৰে আকৃতিৰ বস্তুবোৰত (✓) চিন দিয়া।



বিনীয়ে ভায়েকৰ লগত লুডু খেলি আছে।



লুডুৰ পাশতিৰ দৰে আকৃতিৰ বস্তুবোৰত (✓) চিন দিয়া--



**শিক্ষকলৈ নির্দেশনা ঃ** ঘনক আকৃতি বস্তুৰ লগত চিনাকি কৰাব।




ওপৰৰ ছবিখনত থকা গোল আকৃতিৰ বস্তুবোৰত ✓ চিন দিওঁ আহা।


শংকু আকৃতিৰ বস্তুবোৰত ☐ চিন দিওঁ আহা।


বাকচটোৰ দৰে আকৃতিৰ বস্তুবোৰত ◯ চিন দিওঁ আহা।

চুঙাৰ দৰে আকৃতিৰ বস্তুবোৰত × চিন দিওঁ আহা।

**একে আকৃতিৰ বস্তুবোৰ আঁচ টানি মিলাওঁ আহা-**









তলৰ বাকচত থকা ছবিখন চাই একে আকৃতিৰ আন এবিধ বস্তু খালী ঠাইত আকোঁ আহা-

| (ক) | (খ) |
|---|---|
|  |  |




**প্ৰকল্প ঃ** ছাত্ৰ-ছাত্ৰীয়ে ঘৰত মাক-দেউতাক, ভায়েক-ভনীয়েকৰ লগত মিলি জোতাৰ বাকচ বা জুইশলাৰ বাকচ ব্যৱহাৰ কৰি ৰেল-গাড়ী বা আন কোনো খেলাৰ সামগ্ৰী প্ৰস্তুত কৰিব।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে পাঠটো আলোচনা কৰোঁতে পৰিৱেশত পোৱা বিভিন্ন আকৃতিৰ বস্তুৰ উদাহৰণ দিব।

তলৰ ছবিখনৰ বাকচ আকৃতিৰ বস্তুত '✓' চিন দিয়া।
শংকু আকৃতিৰ বস্তুত '◯' চিন দিয়া।
গোল আকৃতিৰ বস্তুত '×' চিন দিয়া।



## নির্দেশ অনুযায়ী ৰং কৰোঁ আহা-


| চুঙা আকৃতিটোত নীলা ৰং | বাকচ আকৃতিটোত কমলা ৰং | গোল আকৃতিটোত ৰঙা ৰং |
|---|---|---|
|  |  |  |

## খেল খেলোঁ আহা-






**বাগৰি যোৱা বস্তুবোৰ চাওঁ আহা -**




**চোঁচৰা খেল খেলোঁ আহা -**







চুঁচৰি যোৱা বস্তুবোৰ চাওঁ আহা-



## নিজে কৰোঁ আহা-


(ক) **বাগৰি** যোৱা বস্তুটোত ৰঙা ৰং কৰোঁ আহা-






(খ) **চুঁচৰি** যোৱা বস্তুটোত হালধীয়া ৰং কৰোঁ আহা-





(গ) **বাগৰি** আৰু **চুঁচৰি** যোৱা বস্তুটোত সেউজীয়া ৰং কৰোঁ আহা-






**প্ৰকল্প ঃ** কাগজেৰে বাকচ সাজোঁ আহা-



প্ৰথমে সমান জোখৰ ৰঙা আৰু সেউজীয়া ৰঙৰ কাগজৰ টুকুৰা দুটা আঠাৰে লগ লগাওঁ আহা-



ইয়াৰ লগত আন আন সমান ৰঙীন কাগজৰ টুকুৰা কেইটা এটা এটাকৈ লগ লগাই যোৱা, যাতে এটা বন্ধ বাকচ পোৱা।



**শিক্ষকলৈ নিৰ্দেশনা ঃ** ওপৰত দিয়া ৰঙীন বাকচটোৰ দৰে ছাত্ৰ-ছাত্ৰীৰ লগত লৈ কাগজ কাটি আঠা লগাই বাকচ তৈয়াৰ কৰি দেখুৱাব আৰু দলত একোটাকৈ বাকচ তৈয়াৰ কৰিবলৈ উৎসাহিত কৰিব।



# আধা আৰু সম্পূৰ্ণ




**মাকে এনেকৈ ভগালে–**


| | | |
|---|---|---|
|  |  |  |
| এখন ৰুটি | সমানে আধা কৰা ৰুটি | ৰুটিখনৰ আধা অংশ |

**সমানে দুভাগত ভাঁজ কৰোঁ আহা–**


| | | | |
|---|---|---|---|
|  | সম্পূৰ্ণ ৰুমাল |  | সম্পূৰ্ণ কাগজ |
|  | সমানে দুভাগ হোৱাকৈ ভাঁজ কৰা ৰুমাল |  | সমানে দুভাগ হোৱাকৈ ভাঁজ কৰা কাগজ |

## নিজে কৰোঁ আহা-


(ক) আধা অংশত ৰং কৰোঁ আহা-



(খ) ফুলটোৰ আধা অংশ আঁকি ৰং কৰোঁ আহা-



(গ) তলত দিয়া ছবিবোৰ সিহঁতৰ আধা অংশৰ লগত আঁচ টানি মিলাওঁ আহা-



(ঘ) তলৰ কোনকেইটা ছবিৰ ৰং কৰা অংশই ছবিবোৰৰ আধা অংশ বুজাইছে, শুদ্ধ '✓' চিন দিয়া।




**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে পাঠটো আলোচনা কৰোঁতে ৰুমাল, কাগজ আদি সমানে দুভাগত ভাঁজ কৰি দেখুৱাই সম্পূৰ্ণ আৰু আধা বস্তুৰ মাজৰ সম্পৰ্কৰ বিষয়ে ক'ব, লগতে তেওঁলোকক বিছনা চাদৰ, বাতৰি কাকত আদিৰ দৰে ঘৰত সহজে পোৱা বস্তুবোৰ সমানে দুভাগ কৰি চাবলৈ উৎসাহিত কৰিব।

**প্ৰকল্প ঃ** ছাত্ৰ-ছাত্ৰীয়ে এটাকৈ বল, আইচক্ৰীম, গিলাচ আঁকি ৰং কৰিব আৰু মাটিৰে বিভিন্ন আকৃতিৰ বস্তু যেনে- আম, অমিতা, ৰঙালাও আদি সাজিব। কাগজৰ ফুল, নাও আৰু উৰাজাহাজ প্ৰস্তুত কৰিবলৈ দিব আৰু লগতে সংৰক্ষণ কৰি আন ছাত্ৰ-ছাত্ৰীকো দেখুৱাব।

পাঠ - ৪


# যোগ (১ৰ পৰা ৯লৈ)

F7P2J1

**লগে ভাগে গাওঁ আহা-**


এটি খালত **এটি** হাঁহে
বহি আছে মনে মনে,






তাৰে লগত আহি আৰু **এটি**
কথা পাতিলে কাণে কাণে।

**দুটি** হাঁহে একেলগে
সাঁতুৰিলে ৰং মনে,
তাৰে ওচৰলৈ উৰি আহিল
আৰু **এটি** লাহে লাহে।






**দুই** আৰু **এক** মিলি **তিনি** হ'ল,
ইয়াকে কয় **যোগ** হ'ল।


## পৰুৱাৰ সাধু

পৰুৱা এটাই বাহ সাজিবলৈ পাত এখিলা লৈ গৈ আছিল। পাতখিলা আকৌ বহুত গধুৰ। পৰুৱাটোৱে দাঙিব পৰা নাই। পৰুৱাৰ লগৰীয়াবোৰে আহি **লগ হৈ** তাক কিদৰে সহায় কৰিলে চোৱা -







১টা পৰুৱা



১টা আৰু ১টা
**লগ হৈ** ২টা পৰুৱা



২টা আৰু ১টা
**লগ হৈ** ৩টা পৰুৱা



৩টা আৰু ১টা
**লগ হৈ** ৪টা পৰুৱা






৪টা আৰু ১টা
**লগ হৈ** ৫টা পৰুৱা

ওপৰৰ ছবিখনত দেখুওৱাৰ দৰে তোমালোকে কেতিয়াবা পৰুৱাই বস্তু কঢ়িওৱা দেখিছানে? পাতখিলা কঢ়িয়াবলৈ কেইটা পৰুৱা লগ হ'ল? আমিও অকলে কৰিব নোৱাৰা কামবোৰ লগ হৈ কৰিব পাৰোঁ।

## একেলগে কিমান হ'ব কোৱা আৰু খালী ঠাইত লিখা।

৩টা আম আৰু ১টা আম লগলাগি ☐ টা আম


  

৪টা মিঠাই আৰু ২টা মিঠাই একেলগে ☐ টা মিঠাই

৫ডাল পেঞ্চিল আৰু ৩ ডাল পেঞ্চিল একেলগে ☐ ডাল পেঞ্চিল


## গণনা কৰি ছবি আঁকো আহা-

৬টা মাৰ্বল আৰু ৩টা মাৰ্বল একেলগে ☐ টা মাৰ্বল


**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীসকলক যোগৰ বাক্যবোৰ উচ্চস্বৰত পঢ়িবলৈ আৰু বুজিবলৈ উৎসাহিত কৰিব। উদাহৰণস্বৰূপে, ৪টা শিশু আৰু ৩টা শিশু লগলাগি ৭টা শিশু হ'ব। একেদৰে, 'লগ লাগি', 'মিলিত হৈ', 'একত্ৰিত কৰি', বাঢ়ি যোৱা একেলগে ইত্যাদি শব্দৰ লগত '+' চিন আৰু মুঠ বুজাবলৈ ব্যৱহাৰ কৰা সমান চিন (=)ৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ উৎসাহিত কৰিব।

**লগ লাগি কিমান হয় চাওঁ আহা-**



গছত আছে চৰাই ১টা
উৰি আহিল আৰু ১টা
লগলাগি হ'ল চৰাই ২টা

১ আৰু ১




২



গছত আছে চৰাই ২টা
উৰি আহিল আৰু ১টা
লগলাগি হ'ল চৰাই ৩টা

২ আৰু ১




৩




গছত আছে চৰাই ৩টা
উৰি আহিল আৰু ১টা
লগলাগি হ'ল চৰাই ৪টা

৩ আৰু ১



৪



গছত আছে চৰাই ৪টা
উৰি আহিল আৰু ১টা
লগলাগি হ'ল চৰাই ৫টা

৪ আৰু ১



৫



গছত আছে চৰাই ৫টা
উৰি আহিল আৰু ১টা
লগলাগি হ'ল চৰাই ৬টা

৫ আৰু ১






৬






যোগক “+” এই চিনেৰে বুজোৱা হয়।

## মুঠ কিমান আছে চাওঁ আহা-




৩ টা বাল্টি **আৰু** ২ টা বাল্টি **মুঠ** ৫ টা বাল্টি

৩ + ২ = ৫

৪ টা মধুৰি-আম **আৰু** ২ টা মধুৰি-আম **মুঠ** ☐ টা মধুৰি-আম

৪ + ২ = ----


  

☐ টা নাৰিকল **আৰু** ☐ টা নাৰিকল **মুঠ** ☐ টা নাৰিকল


---- + ----- = -------

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীসকলক বাস্তৱ বস্তু ব্যৱহাৰ কৰি যোগ কৰাৰ প্ৰচুৰ সুযোগ প্ৰদান কৰিব। তেওঁলোকক দুটা গোটত থকা বস্তু একত্ৰিত কৰি যোগ কৰিবলৈ উৎসাহিত কৰিব। লগতে এটা গোটত থকা বস্তুবোৰৰ লগত একে ধৰণৰ বস্তু লগ লগাইও যোগ কৰিবলৈ উৎসাহিত কৰিব। অভ্যাস কৰাওঁতেও দুয়ো ধৰণৰ যোগ কৰাব।


## আঙুলি গণনা কৰি মুঠ কিমান হ'ল লিখোঁ আহা –




১ + ২ = ☐



৫ + ২ = ☐




৪ + ৩ = ☐



৩ + ৫ = ☐


## তলৰ শহাটোক জঁপিয়াই গাজৰ খোৱাত সহায় কৰোঁ আহা-

১। শহাটোৱে প্ৰথমে ৪ ঘৰ জঁপিয়ালে। পিছত পুনৰ ২ ঘৰ জঁপিয়াই গাজৰটো খালে। শহাটোৱে **মুঠ** কিমান ঘৰ জঁপিয়ালে।





৪ + ২ = ☐

২। শহাটোৱে এইবাৰ ৫ ঘৰ জঁপিয়ালে। পিছত কিমান ঘৰ জঁপিয়ালে ৮ত থকা গাজৰটো খাবলৈ পাব।





৫ + ☐ = ৮

৩। শহাটোৱে ৯ ঘৰত থকা গাজৰটো খাবলৈ দুবাৰ জঁপিয়ালে, তোমাৰ মতে শহাটোৱে কিমানঘৰ কিমানঘৰকৈ জঁপিয়ালে গাজৰটো খাবলৈ পাব।








☐ + ☐ = ৯


## লুডু খেলোঁ আহা-




**পাশতিটোত উঠা সংখ্যাকেইটা যোগ কৰি শুদ্ধ ঘৰত গুটিবোৰ আঁকি ৰং কৰোঁ আহা-**

১।  আৰু  ৰ বাবে ৰঙা গুটিটো লুডুখনৰ ক'ত বহিব ৰঙা ৰং কৰোঁ আহা।

২।  আৰু  ৰ বাবে হালধীয়া গুটিটো লুডুখনৰ ক'ত বহিব হালধীয়া ৰং কৰোঁ আহা।

৩।  আৰু  ৰ বাবে সেউজীয়া গুটিটো লুডুখনৰ ক'ত বহিব সেউজীয়া ৰং কৰোঁ আহা।

৪।  আৰু  ৰ বাবে নীলা গুটিটো লুডুখনৰ ক'ত বহিব নীলা ৰং কৰোঁ আহা।

## যোগ কৰি মিলাওঁ আহা-

৪ + ১

৫ + ২

৩ + ৩

২ + ১


৫ + ৩














## গণনা কৰি যোগ কৰোঁ আহা-




৩ + ১ = ৪



$$\begin{array}{r} ৩ \\ + ১ \\ \hline \square \end{array}$$



২ + ৪ = ☐




$$\begin{array}{r} ২ \\ + ৪ \\ \hline \square \end{array}$$


**শিক্ষকলৈ নিৰ্দেশনা ঃ** (১) প্ৰথমতে বাস্তৱ বস্তুৰ সহায়ত শিক্ষকে শিশুসকলক যোগৰ ধাৰণা আয়ত্ত কৰাব আৰু তাৰ লগে লগে অংকৰ ব্যৱহাৰৰ দ্বাৰা যোগ কৰিবলৈ শিকাব।

(২) শিক্ষকে ওপৰত দিয়া ধৰণৰ পথালি আৰু থিয় যোগৰ অভ্যাস কৰাব।


## কি কি ধৰণে ৭ পাব পাৰোঁ চাওঁ আহা-




কি কি সংখ্যা লগ লগাই ৯ সংখ্যাটো পাব পাৰোঁ, চাওঁ আহা-




কি কি সংখ্যা লগ লগাই ৮ সংখ্যাটো পাব পাৰোঁ, চাওঁ আহা-



## সংখ্যাকাৰ্ডৰ সৈতে খেলোঁ আহা-





শিক্ষকে প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলক (১ৰ পৰা ৯লৈ) কিছুমান সংখ্যাকাৰ্ড দিব। তাৰ পিছত তেওঁ দুয়োখন হাতত যিকোনো দুখন সংখ্যাকাৰ্ড লৈ ছাত্ৰ-ছাত্ৰীক দেখুৱাব। কাৰ্ড দুখনত থকা সংখ্যা দুটাৰ যোগফলটো ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ হাতত থকা সংখ্যাকাৰ্ডৰ সহায়ত দেখুৱাবলৈ দিব। নিৰ্দিষ্ট সময়লৈ খেলটো চলি থাকিব আৰু আটাইতকৈ বেছি শুদ্ধ উত্তৰ দিয়াজন জয়ী হ'ব।

### নিজে যোগ কৰোঁ আহা —

| | |
|---|---|
| ২ + ৩ = | ৩ + ২ = |
| ১ + ২ = | ৬ + ১ = |
| ৫ + ২ = | ১ + ৫ = |
| ২ + ২ = | ৪ + ৩ = |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে সংখ্যাকাৰ্ড দেখুৱাওঁতে মন কৰিব যাতে যোগফলটো ৯তকৈ বেছি নহয়। বেলেগ বেলেগ সংখ্যাকাৰ্ড দেখুৱাই খেলটো পুনৰাবৃত্তি কৰিব।

## আমাৰ শ্ৰেণীকোঠাটো চাওঁ আহা -

(ক) আমাৰ শ্ৰেণীকোঠাটো ধুনীয়াকৈ সজাই থোৱা হৈছে। শিক্ষকৰ টেবুলত ৰঙা চিয়াঁহীৰ কলম ১টা  আৰু নীলা চিয়াঁহীৰ কলম ২টা  আছে। মুঠ কেইটা কলম আছে? ☐ টা

(খ) প্ৰথম বেঞ্চত ৩গৰাকী  আৰু দ্বিতীয় বেঞ্চত ৪গৰাকী  ছাত্ৰ-ছাত্ৰী আছে। মুঠ কিমান গৰাকী ছাত্ৰ-ছাত্ৰী আছে? ☐ গৰাকী


(গ) শ্ৰেণী কোঠাটোৰ বেৰ এখনত জীৱ-জন্তুৰ ছবি থকা চাৰ্ট আঁৰি থোৱা আছে। তাত বনৰীয়া জন্তু ৫টা আৰু ঘৰচীয়া জন্তু ৪টাৰ ছবি আছে। জন্তুৰ ছবি মুঠ কিমান আছে?




☐ টা

প্ৰহেলিকা



## প্ৰহেলিকা



তলৰ ছবিখনৰ খালী ঠাইবোৰ পূৰ কৰোঁ আহা-




|  |  |  |  |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |

**ওপৰৰ ছবিখনৰ চিহ্নবোৰক বুজোৱা সংখ্যাবোৰেৰে তলৰ ছবি কেইখনৰ যোগফল কিমান হ'ব লিখোঁ আহা-**

(ক)  +  +  = ______

(খ)  +  +  = ______

G1P8F3

পাঠ - ৫

# বিয়োগ

## লগে ভাগে গাওঁ আহা-

ফুলনি এখনত পাঁচটা পখিলা
আছিল মৌ চুহি,
মৌ খাই তাৰে তিনিটা
গ'ল উৰি উৰি।
পাঁচটা পখিলাৰ তিনিটা গ'লে
কেইটা থাকিল কোৱা,
তৎক্ষণাৎ কোৱা ফটক্‌কৈ কোৱা
যদি ভালদৰে বুজি পোৱা।







## ছবি চাই কওঁ আহা -

✡ ফুলনিত কেইটা পখিলা আছিল?
✡ কেইটা পখিলা উৰি গ'ল?
✡ ফুলনিত কেইটা পখিলা থাকিল?


## কিমান আছিল কিমান থাকিল-




৪টা আছিল




১টা আঁতৰি গ'ল




থাকিল ☐ টা



৬টা আছিল





২টা আঁতৰি গ'ল





থাকিল ☐ টা


## কেইটা বাকী থাকিল চাওঁ আহা-



৩টা বটল



১টা ভাগিল



থাকিল ২ টা



৩টা বেলুন



২টা ফুটিল



থাকিল ___ টা



৬টা কাপ


৩টা ভাগিল


থাকিল ___ টা


৮ ডাল পেঞ্চিল


৪ ডাল ভাগিল


থাকিল ___ ডাল


বিয়োগ কৰোঁ আহা-

| | |
|---|---|
| ২ - ১ = | ৫ - ২ = |
| ৩ - ১ = | ৭ - ২ = |
| ৩ - ২ = | ৭ - ১ = |
| ৬ - ১ = | ৬ - ২ = |
| ৫ - ৪ = | ৭ - ৩ = |
| ৪ - ২ = | ৮ - ৪ = |

আমি এনেদৰেও বিয়োগ কৰিব পাৰোঁ—



৫
- ৩
২



বিয়োগ কৰোঁ আহা —

| | | | |
|---|---|---|---|
| ৩ - ২ | ৫ - ৪ | ৭ - ৫ | ৮ - ৬ |
| ৫ - ২ | ৬ - ৩ | ৭ - ৩ | ৯ - ৭ |
| ৪ - ১ | ৬ - ৫ | ৮ - ১ | ৯ - ২ |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** প্ৰয়োজন অনুসৰি শিক্ষণ সামগ্ৰীৰে বিয়োগৰ ধাৰণা প্ৰকট হোৱাত সহায় কৰিব।

**উত্তৰ দিওঁ আহা -**

১। গছৰ ডালত চাৰিটা চৰাই আছে। তাৰে দুটা উৰি গ'ল। ডালত কেইটা চৰাই থাকিল? ☐ টা


২। এটা পুখুৰীত আঠটা ৰাজহাঁহ আছে। তাৰে চাৰিটা উৰি গ'ল। পুখুৰীটোত কেইটা ৰাজহাঁহ থাকিল? ☐ টা


৩। পাচি এটাত সাতটা আম আছে। তাৰে পাঁচটা ফুলুৱে ভগাই দিলে। পাচিত কেইটা আম থাকিল? ☐ টা

৪। ৰূপহীৰ হাতত ন ডাল ৰং পেঞ্চিল আছে। তাৰে পাঁচডাল তগৰক দিলে। ৰূপহীৰ হাতত কেইডাল ৰং পেঞ্চিল থাকিল? ☐ ডাল

**চাওঁ আহা**

কি কি ধৰণে বিয়োগ কৰিলে ফুলৰ মাজত থকা সংখ্যাটো পাম?





**খেলোঁ আহা-**


শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক বৃত্তাকৃতিত বহিবলৈ দি প্ৰথমে এগৰাকীক কেইখিলামান তলসৰা গছৰ পাত দিব (১-৯ খিলাৰ ভিতৰত)। আন এগৰাকীক প্ৰথমগৰাকীৰ পৰা কেইখিলামান পাত আঁতৰাই দিবলৈ ক'ব আৰু তৃতীয়গৰাকীক প্ৰথমগৰাকীৰ হাতত কেইখিলা পাত থাকিল ক'বলৈ দিব। এইদৰে খেলটো আগবঢ়াই নিব।

# শূন্যৰ ধাৰণা



ৰীমাৰ হাতত তিনিটা বগৰী আছে।
তাৰে এটা নয়নক দিলে।
ৰীমাৰ হাতত কেইটা বগৰী থাকিল?





ৰীমাৰ হাতত দুটা বগৰী থাকিল।
তাৰে এটা নাজমাক দিলে।
ৰীমাৰ হাতত কেইটা বগৰী থাকিল?

ৰীমাৰ হাতত এটা বগৰী থাকিল।
সেইটো তাই নিজে খালে।
ৰীমাৰ হাতত কেইটা বগৰী থাকিল?



এতিয়া ৰীমাৰ হাতত এটাও বগৰী নাই।


ৰীমাৰ হাতত এটাও যে বগৰী নাই সেই কথাটো সংখ্যাৰে কেনেকৈ বুজাব পাৰোঁ?



**এটাও নথকা কথাটো বুজাবলৈ 'শূন্য' সংখ্যাটো ব্যৱহাৰ কৰা হয়। শূন্য সূচাবলৈ '০' প্ৰতীকটো ব্যৱহাৰ কৰা হ'ব।**

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে শ্ৰেণীকোঠাত কোনো বস্তু নথকা বা অনুপস্থিত থকা ঘটনা/পৰিস্থিতিৰ উদাহৰণ যেনে ঃ টেবুলৰ ওপৰত এটাও ছাতি নাই, শ্ৰেণীকোঠাৰ ভিতৰত এখনো চাইকেল নাই আদিৰ সহায়ত শূন্যৰ ধাৰণা স্পষ্ট কৰি তুলিব।

## লিখোঁ আহা




## খৰাহিত কেইটা আম আছে লিখোঁ আহা–



* শূন্যৰ ধাৰণা সম্পূৰ্ণ হোৱাৰ পাছত বিপৰীত ক্ৰমে '৫'ৰ পৰা '০'লৈ, '৯ৰ পৰা ০'লৈ গণনা কৰিবলৈ শিকাবলৈ চেষ্টা কৰিব।

## শূন্যৰ লগত যোগ কৰোঁ আহা-



| | | |
|---|---|---|
| এজোপা গছত<br>এটাও চৰাই নাই। | দুটা চৰাই উৰি আহি<br>গছত পৰিল। | এতিয়া গছত দুটা<br>চৰাই হ'ল। |

০ + ২ = ২

## যোগ কৰোঁ আহা -

৬ + ০ = ☐

০ + ৯ = ☐

০ + ৫ = ☐

৮ + ০ = ☐

২ + ০ = ☐

৩ + ০ = ☐

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে বিভিন্ন বাস্তৱ বস্তু বা উদ্ভাৱনীমূলক খেলৰ জৰিয়তে শূন্যৰ লগত আন আন সংখ্যাৰ যোগৰ ধাৰণা স্পষ্ট কৰিবলৈ প্ৰয়াস কৰিব।

## শূন্য বিয়োগ কৰোঁ আহা-



ৰহিমলাই পাঁচটা মাছ
বেচিবলৈ নিলে।






পাত্ৰটোত পাঁচটা
মাছেই থাকিল।

৫ − ০ = ৫

একেদৰে

৪ − ০ = ৪     ৩ − ০ = ৩

## বিয়োগ কৰোঁ আহা -

২ − ০ = ☐ ,   ৬ − ০ = ☐ ,   ৭ − ০ = ☐


## আঁচ টানি মিলাওঁ আহা-

| | | |
|---|---|---|
| ৬ − ৬ | ৭ | ৫ − ৩ |
| ৭ − ৩ | ৬ | ৪ − ০ |
| ৮ − ১ | ২ | ৯ − ২ |
| ৯ − ৩ | ৪ | ৫ − ৫ |
| ৪ − ২ | ০ | ৯ − ৮ |
| ৬ − ৫ | ১ | ৮ − ২ |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শূন্যৰ যোগ আৰু বিয়োগৰ ধাৰণা দৃঢ় কৰিবলৈ বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।

## প্ৰহেলিকা

জুমনে চাইকেল চলাই ঘৰ গৈ পাবলৈ গছবিলাকত কি কি সংখ্যা দেখা পাব লাগিব চিন্তা কৰোঁ আহা আৰু ছবিত থকা গছকেইজোপাত সংখ্যাবিলাক লিখোঁ আহা।




**নিৰ্দেশ অনুসৰি সংখ্যা লিখোঁ আহা-**

১০ → (- ১) → ◯ → (- ২) → ◯ → (- ৩) → ◯ → (- ১) → ◯

৯ → (- ৩) → ◯ → (- ২) → ◯ → (- ২) → ◯ → (- ২) → ◯

পাঠ-৬

# ১০ৰ পৰা ২০লৈ সংখ্যাৰ ধাৰণা

A2L5X7



## আইতাৰ সাধু শুনো আহা



**এক** আছিল ডাঙৰ ৰজা ১
কওঁ শুনা বৰ মজা।



**দুই** দিন দুই ৰাতি ২
বেমাৰত নেৰে ঢাৰি-পাটি।



**তিনি** দিনত কবিৰাজ আহিল ৩
দেখে ৰজাৰ জীৱন কাহিল।





**চাৰি** পালি ঔষধ দিলে ৪
ৰজাই নিতৌ এপালি গিলে।



**পাঁচ-ছয়** দিন এনেকৈয়ে গ'ল ৫ ৬
**সাত** দিনতো ভাল নহ'ল। ৭




**আঠ** দিনত লগালে মাত ৮
ৰাণীয়ে দিলে গৰম ভাত।




**ন** দিনত বল পালে ৯
**দহ** দিনত ভাল পালে। ১০

### এতিয়া কোৱাচোন

কেইজন ৰজা আছিল? ☐ জন
কেইদিনত কবিৰাজ আহিল? ☐ দিনত
কেইপালি ঔষধ দিলে? ☐ পালি
কেইদিনত ৰজাৰ মাত ওলাল? ☐ দিনত
কেইদিনত ভাল পালে? ☐ দিনত




## ১ৰ পৰা ৯লৈ সংখ্যাবোৰ ক্ৰমত লিখোঁ আহা-






৯টা লিচুৰ লগত ১টা লিচু যোগ কৰিলে মুঠ লিচু কিমান হ'ব?










## সিঁচৰতি হৈ থকা বস্তুবিলাক ১০ৰ গোটত সজাওঁ আহা-





















গণনা কৰোঁ আহা–










| | | |
|---|---|---|
|  | ১০ | ১০ দহ |
|  | ১০ আৰু ১ | ১১ এঘাৰ |
|  | ১০ আৰু ২ | ১২ বাৰ |
|  | ১০ আৰু ৩ | ১৩ তেৰ |
|  | ১০ আৰু ৪ | ১৪ চৈধ্য |

গণনা কৰোঁ আহা–

| | | |
|---|---|---|
|  | ১০ আৰু ৫ | ১৫ পোন্ধৰ |
|  | ১০ আৰু ৬ | ১৬ ষোল্ল |
|  | ১০ আৰু ৭ | ১৭ সোতৰ |
|  | ১০ আৰু ৮ | ১৮ ওঠৰ |
|  | ১০ আৰু ৯ | ১৯ ঊনৈছ |
|  | ১০ আৰু ১০ | ২০ বিছ |



দহৰ গোট বনাই আৰু খোলাকৈ থকা ছবিবোৰ গণনা কৰি খালী বাকচত সংখ্যা লিখোঁ আহা-

| | |
|---|---|
|  | ১১ |
|  | |
|  | |
|  | |
|  | |
|  | |
|  | |
|  | |
|  | |
|  | |

## ১১ৰ পৰা ২০লৈ সংখ্যা লিখোঁ আহা-

| ১১ | ১২ | ১৩ | ১৪ | ১৫ | ১৬ | ১৭ | ১৮ | ১৯ | ২০ |
|---|---|---|---|---|---|---|---|---|---|
| | | | ১৪ | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |
| | | | | | | ১৭ | | | |
| | | | | | | | | | |
| | | ১৩ | | | | | | | |

**দহৰ গোট আৰু খোলা সংখ্যা অনুযায়ী খালী বাকচবোৰ ৰং কৰোঁ আহা -**

১৮

১০    ৮

১৪

১৬

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিশুসকলক বাস্তৱ বস্তুৰ সহায়ত ২০ লৈ দহৰ গোটত গণনা কৰিবলৈ উৎসাহিত কৰিব। উদাহৰণস্বৰূপে, শিক্ষকে বিদ্যালয়ৰ মেজত ২০টা শিলগুটি/গছৰ গুটি/বুটাম আদি থ'ব। এগৰাকী শিশুক ওচৰলৈ মাতি মেজত থোৱা শিল/বুটাম হাতেৰে এমুঠি ল'বলৈ ক'ব আৰু হাতত কিমান শিল/বুটাম আছে অনুমান কৰিবলৈ ক'ব। তাৰ পিছত অনুমান কৰি পোৱা গুটি/বুটাম দহৰ গোট সাজি গণনা কৰিবলৈ দিব। এনে ধৰণে সকলোকে কৰিবলৈ দিব আৰু যাৰ অনুমান শুদ্ধ হৈছে, তেওঁলোকে কিদৰে অনুমান কৰিছে, সেই বিষয়ে আলোচনা কৰিব।

**কেইজনমান লগৰীয়াই কাগজৰ গিলাচেৰে কেনেদৰে সাজিছে চোৱাচোন**




* আটাইতকৈ ওখ সাজোনটোত ✓চিন দিওঁ আহা।

* আটাইতকৈ কম গিলাচ থকা সাজোনটোত ঘেৰ ◯ দিওঁ আহা।


* আটাইতকৈ কম থকা সাজোনটোত কেইটা গিলাচ আছে? ☐ টা

* আটাইতকৈ বেছি থকা সাজোনটোত কেইটা গিলাচ আছে? ☐ টা

**গণনা কৰি খালী বাকচত সংখ্যা লিখোঁ আহা-**




☐




☐

তলৰ বাকচত থকা ফলসমূহ গণনা কৰি সংখ্যাটো লিখোঁ আহা আৰু ডাঙৰ সংখ্যাটোত ৰং কৰোঁ আহা-




☐



☐

**তলৰ বাকচত সংখ্যা লিখি সৰু সংখ্যাটোত ৰং কৰোঁ আহা-**



☐



☐

আটাইতকৈ ডাঙৰ সংখ্যাটোত ‘✓’ চিন দিওঁ আহা—

| | | | |
|---|---|---|---|
| (ক) | ১৫ | ১৭ ✓ | ১৩ |
| (খ) | ১৮ | ১২ | ১৪ |
| (গ) | ১১ | ১৯ | ১৬ |
| (ঘ) | ১০ | ১৫ | ২০ |


আটাইতকৈ সৰু সংখ্যাটোত ‘✓’ চিন দিওঁ আহা—

| | | | |
|---|---|---|---|
| (ক) | ১০ ✓ | ১২ | ১৯ |
| (খ) | ১৩ | ১৮ | ১৬ |
| (গ) | ১৮ | ১৪ | ১১ |
| (ঘ) | ২০ | ১৭ | ১৫ |

বৈ যোৱা সংখ্যাবোৰ ফুলকেইপাহৰ মাজত লিখোঁ আহা –

| | |
|---|---|
| (১) | ১৩, ১৪, ✿ , ১৬ , ✿ , ১৮ |
| (২) | ১১, ✿ ১৩, ✿ , ১৫ |
| (৩) | ১৬, ✿ , ✿ , ✿ , ২০ |

**তলৰ ছবিখনলৈ চাওঁ আহা-**





➲ ৰেলখনৰ শেষত থকা সংখ্যাটো কি? ☐

➲ ১৭ ৰ ঠিক আগৰ সংখ্যাটো কি? ☐

➲ ১৩ ৰ ঠিক পিছৰ সংখ্যাটো কি? ☐

➲ ১৭ আৰু ১৯ ৰ মাজৰ সংখ্যাটো কি? ☐

**বিপৰীত ক্ৰমত ২০ৰ পৰা সংখ্যাবোৰ ৰে'লৰ দবাত লিখোঁ আহা—**




**তলৰ ছবিখন চাই উত্তৰ লিখোঁ আহা-**

১ম শাৰী— 

২য় শাৰী— 

(ক) ১ম শাৰীত কিমানটা বল আছে? ☐ টা

(খ) ২য় শাৰীত কিমানটা বল আছে? ☐ টা

(গ) কোনটো শাৰীত বেছি বল আছে? ☐ শাৰীত

**সংখ্যাৰ লগত সংখ্যাৰ নাম আঁচ টানি মিলাওঁ আহা-**

| | |
|---|---|
| ১৩ | ওঠৰ |
| ১৭ | তেৰ |
| ২০ | বাৰ |
| ১৮ | সোতৰ |
| ১২ | বিছ |


**তলৰ তালিকাখন চাওঁ আহা-**

| ৰোল নম্বৰ | ছাত্ৰ/ছাত্ৰীৰ নাম | ৰোল নম্বৰ | ছাত্ৰ/ছাত্ৰীৰ নাম |
|---|---|---|---|
| ১১ | পাপন | ১৬ | ৰীতা |
| ১২ | দীপা | ১৭ | ডেভিদ |
| ১৩ | বিকি | ১৮ | কৰিম |
| ১৪ | নাজমা | ১৯ | বিনি |
| ১৫ | পূৰালী | ২০ | মেৰী |


সিপিঠিৰ তালিকাখন চাই শুদ্ধ উত্তৰত ✓ চিন দিওঁ আহা—

| | | | | |
|---|---|---|---|---|
| (ক) দীপাৰ ৰোল নম্বৰ কিমান? | .................. | ১৮ | ১২ | ২০ |
| (খ) কৰিমৰ ৰোল নম্বৰ কিমান? | .................. | ১১ | ১৭ | ১৮ |
| (গ) ১৭ ৰোল নম্বৰ কাৰ? | .................. | নাজমা | ডেভিদ | দীপা |
| (ঘ) ২০ ৰোল নম্বৰ কাৰ? | .................. | বিনি | পাপন | মেৰী |

কাছৰ পিঠিত থকা সংখ্যাসমূহ ডাঙৰৰ পৰা সৰুলৈ তলৰ খালী বাকচত সজাওঁ আহা—




| | | | | |
|---|---|---|---|---|
| | | | | |




| | | | | |
|---|---|---|---|---|
| | | | | |

আগৰ সংখ্যাটো লিখোঁ আহা—

| | | | | | |
|---|---|---|---|---|---|
| ১৫ | ১৬ | | ১৯ | | ১১ |
| | ১৭ | | ১৪ | | ১৮ |

পিছৰ সংখ্যাটো লিখোঁ আহা—

| | | | | | |
|---|---|---|---|---|---|
| ১১ | ১২ | ১৮ | | ১৩ | |
| ১৫ | | ১২ | | ১৭ | |

মাজৰ সংখ্যাটো লিখোঁ আহা—


| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ১১ | ১২ | ১৩ | ১৭ | | ১৯ | ১৪ | | ১৬ |
| ১৮ | | ২০ | ১৫ | | ১৭ | ১২ | | ১৪ |

## খালী ঘৰত সংখ্যা লিখোঁ আহা-

| | | | |
|---|---|---|---|
| ১২ | ১৩ | ১৪ | ১৫ |
| ১৬ | ১৭ | | |

| | | | |
|---|---|---|---|
| ১৪ | | | ১৭ |
| | ১২ | ১৩ | |

**১ৰ পৰা ২০লৈ সংখ্যাবোৰ লগ লগাওঁ আহা আৰু কি পালোঁ চাই ৰং কৰোঁ আহা—**




## খেলোঁ আহা –

শব্দ জালৰ পৰা সংখ্যাৰ নাম বিচাৰি ঘেৰ দিয়া (অতি কমেও ১২টা শব্দ বিচাৰিব লাগিব) যিগৰাকীয়ে প্ৰথমে ১২টা শব্দ বিচাৰি উলিয়াব, তেৱেঁই জয়ী হ'ব।

| | | | | | |
|---|---|---|---|---|---|
| দু | ছ | তে | পাঁ | বি | ল |
| এ | ঘা | ৰ | চ | শ | তি |
| ক | সা | বি | আ | ঠ | নি |
| ঊ | ন | বা | ও | ছ | য় |
| সা | ত | ৰ | ঠ | পা | চা |
| ত | দ | হ | ৰ | ক | ৰি |

**প্ৰকল্প ঃ** ছাত্ৰ-ছাত্ৰীক এখন কাগজত ১ৰ পৰা ২০লৈ অংকৰে সংখ্যা লিখি সংখ্যাটোৰ কাষত আখৰেৰে সংখ্যাৰ নাম লিখিবলৈ দিব। আখৰ লিখোঁতে তেওঁলোকে বিভিন্ন ৰং ব্যৱহাৰ কৰিব পাৰিব।



পাঠ-৭

# সময়

## লগে ভাগে গাওঁ আহা



বেলিটি ওলাল ৰাতিও পুৱাল
শোৱাপাটি এৰিবৰ হ'ল,
দিনটোৰ বাবে আকৌ এবাৰ
সাজু হ'বৰে হ'ল।



ভৰ দুপৰীয়া সূৰুয ককাই
মূৰৰ ওপৰত উঠে,
ভাত-পানী খাই অলপ সময়
জিৰাবলৈ লাগে।



বেলি লহিয়ালে হ'ল আবেলি
সকলো ঘৰমুৱা হ'ল,
সন্ধিয়া পৰত জোন-তৰাৰে
আকাশ জিলমিল হ'ল।



মা-দেউতাৰ কথা মানি
পঢ়া-শুনা কৰোঁ,
ভাত-পানী খাই ৰাতি আমি
শোৱাপাটিত পৰোঁ।



# মাজনীৰ দিনটো





**ৰাতিপুৱা** ছয় বজাত বিছনাৰ পৰা উঠোঁ।

দাঁত চাফা কৰি গৰম পানী খাওঁ।






ব্যায়াম কৰি কিছু পাছত গা ধুওঁ।

জলপান খাই মই বিদ্যালয়লৈ যাওঁ।





বিদ্যালয়ত আমি পঢ়া-শুনা কৰি
**দুপৰীয়া**ৰ আহাৰ লগে ভাগে খাওঁ।



**আবেলি** পৰত আমি খেলা-ধুলা কৰোঁ
**গধূলি** মুখ হাত ধুই পঢ়িবলৈ বহোঁ।

কেতিয়াবা **ৰাতি** চোতালত আইতাৰ সাধু শুনো
**ৰাতি**ৰ আহাৰ খাই দাঁত চাফা কৰোঁ।





**ৰাতি** দহ বজাত মই শুবলৈ যাওঁ
এইদৰে মই দিনটো কটাওঁ।



মাজনীয়ে ৰাতিপুৱাৰ ভাগত কি কি কাম কৰে কোৱা—
মাজনীয়ে দিনৰ ভাগত কি কি কাম কৰে কোৱা—
মাজনীয়ে ৰাতিৰ ভাগত কি কি কাম কৰে কোৱা—

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীয়ে কোন সময়ত কি কি কাম কৰে সেই বিষয়ে শিক্ষকে আলোচনা কৰিব।

ৰাতিপুৱা কৰা কামত (✓) দিওঁ আহা–






দিনৰ ভাগত কৰা কামত (✓) দিওঁ আহা–







ৰাতিৰ ভাগত কৰা কামত (✓) দিওঁ আহা–






অধিক সময়ৰ প্ৰয়োজন হোৱা কামটোত (✓) চিন **দিওঁ আহা–**

(ক) 

(খ) 

## সাত বাৰৰ নামবোৰ জানো আহা-

**সোম**বাৰৰ পাছত  
আছে **মঙল**বাৰ,  
তেনেকৈ আছে **বুধ, বৃহস্পতি**  
আৰু **শুক্ৰবাৰ**।  
**শনি**বাৰে পঢ়াশালিত  
শনিবৰীয়া চ'ৰা,  
**দেওবা**ৰে ঘৰে ঘৰে  
হাঁহিৰ ৰহঘৰা।



## কওঁ আহা

(ক) সোমবাৰৰ পাছত কি বাৰ আছে?

(খ) শুক্ৰবাৰৰ আগৰ বাৰটোৰ নাম কি?

(গ) কোন বাৰে বিদ্যালয় বন্ধ থাকে?

দেওবাৰক ৰবিবাৰ বুলিও জনা যায়।

## বাৰবোৰ একাদিক্ৰমে লিখোঁ আহা–


| | | | |
|---|---|---|---|
| সোমবাৰ | মঙলবাৰ | | বৃহস্পতিবাৰ |
| শুক্ৰবাৰ | | | |

## ভাবি কোৱা–


বন্ধৰ দিনত তুমি কি কি কৰা?

## লগে ভাগে গাওঁ আহা-









**ব'হাগত** কপৌ ফুল
**জেঠত** বৰ খৰ,
**আহাৰত** নানা ফল
**শাওণত** বাৰিষা ভৰ।
**ভাদৰ** পিছত **আহিন** আহে
শেৱালি ফুল ফুলে,
**কাতি-আঘোণত** পকা ধানে
পথাৰ উপচি পৰে।
**পুহ** মাহত বৰ জাৰ
**মাঘ** মাহ ভোগৰ,
**ফাগুনত** ফুলে মদাৰ-পলাশ
**চ'তত** শেষ বছৰ।





**শুদ্ধ উত্তৰটোত (✓) চিন দিওঁ আহা—**

| | | | |
|---|---|---|---|
| (ক) অসমীয়া বাৰ মাহৰ প্ৰথম মাহ কোনটো? | ব'হাগ | জেঠ | আহাৰ |
| (খ) শাওণৰ পাছৰ মাহ কোনটো? | কাতি | ভাদ | আহিন |
| (গ) বছৰৰ মুঠ মাহ কেইটা? | ১০টা | ১১টা | ১২টা |
| (ঘ) অসমীয়া বাৰ মাহৰ শেষৰ মাহ কোনটো? | ফাগুন | চ'ত | ব'হাগ |

## আলোচনা কৰোঁ আহা-


➲ বন্ধৰ দিনত কি কাম কৰি তুমি বেছি সময় কটোৱা?
➲ বিদ্যালয় খোলা দিনত তুমি ক'ত বেছি সময় কটোৱা?

## লগে ভাগে গাওঁ আহা-

### ছয় ঋতু

**গ্ৰীষ্ম**ত গছৰ ডাল
ফলেৰে ভৰি থাকে,
**বৰ্ষা**ত বৰষুণৰ পানীৰে
খাল-বিল উপচি পৰে।
**শৰত**ত শেৱালি ফুলৰ
গোন্ধে আমোলমোল কৰে,
**হেমন্ত**ত পকা ধানে
পথাৰ শুৱনি কৰে।
**শীত**ত জাৰৰ প্ৰকোপত
গছৰ পাত সৰে,
**বসন্ত**ত বিৰিখত
কুঁহিপাত আহে।





## কওঁ আহা-

- ঋতু কেইটা? ঋতু কেইটাৰ নাম কোৱা।
- তুমি কোনটো ঋতু ভাল পোৱা?

## খেল খেলোঁ আহা-


শিক্ষকে ছাত্ৰ-ছাত্ৰীক দুটা দলত ভাগ কৰি ল'ব। প্ৰথম দলক দিনটোত কৰা কোনো এটা কামৰ অভিনয় কৰিবলৈ দিব আৰু দ্বিতীয় দলক সেই কামটো দিনটোৰ কোন সময়ত কৰা হয় ক'বলৈ দিব। শুদ্ধ উত্তৰ দিব পাৰিলে দ্বিতীয় দলটোৱে অভিনয় কৰিব আৰু প্ৰথম দলটোৱে উত্তৰ দিব। এইদৰে খেলটো আগবঢ়াই নিব।

**প্ৰকল্প ঃ**
ছাত্ৰ-ছাত্ৰীক এটা প্ৰাকৃতিক পৰিৱেশৰ লগত সূৰ্যোদয়ৰ ছবি এখন আঁকিবলৈ দিব।

পাঠ-৮

# যোগ-বিয়োগ (২০ৰ ভিতৰত)

আম বুটলোঁ আহা-





(ক) জুমন আৰু ৰহিমে মিলি বুটলা আমৰ সংখ্যা ঃ ৫ + ৬ = .......

(খ) জুমন আৰু মালাই মিলি বুটলা আমৰ সংখ্যা ঃ ৫ + ৭ = .......


(গ) ৰহিম আৰু মালাই মিলি বুটলা আমৰ সংখ্যা ঃ ৬ + ৭ = .......

## ফল খোৱা শহাপহু

এটা শহাপহুৱে প্ৰথমে ১১ ঘৰ জঁপিয়াই গাজৰ খালে, পিছত আৰু ৩ ঘৰ জঁপিয়ালে আপেল খাবলৈ পাব। শহাটোৱে মুঠ জঁপিয়ালে **১১** ঘৰ + **৩** ঘৰ = **১৪** ঘৰ





প্ৰথমে শহাটো ১১ ঘৰ আগুৱাই যাব আৰু পিছত পুনৰ ৩ ঘৰ আগুৱাই ১৪ নম্বৰ ঘৰত থকা আপেলটো খাব।




শহাপহুটোৱে আপেল খাই আৰু ২ ঘৰ জঁপিয়ালে কল খাবলৈ পাব। শহাটোৱে মুঠ জঁপিয়ালে

**১৪** ঘৰ + **২** ঘৰ = **১৬** ঘৰ




শহাপহুটোৱে কল খাই আৰু ২ ঘৰ জঁপিয়ালে নাচপতি খাবলৈ পাব। শহাটোৱে মুঠ জঁপিয়াব

**১৬** ঘৰ + **২** ঘৰ = **১৮** ঘৰ

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক এনেধৰণৰ জঁপিয়াই যোগ কৰা খেল খেলিবলৈ দিব আৰু যোগ কৰিবলৈ উৎসাহিত কৰিব।

### দুটা ৰং ব্যৱহাৰ কৰি যোগ কৰোঁ আহা–

৮ + ৪ =

| | | | | | | | | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ | ১২ | ১৩ | ১৪ | ১৫ | ১৬ | ১৭ | ১৮ | ১৯ | ২০ |

১২

৯ + ৬ =

| | | | | | | | | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ | ১২ | ১৩ | ১৪ | ১৫ | ১৬ | ১৭ | ১৮ | ১৯ | ২০ |

১২ + ৩ =

| | | | | | | | | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ | ১২ | ১৩ | ১৪ | ১৫ | ১৬ | ১৭ | ১৮ | ১৯ | ২০ |

### যোগ কৰোঁ আহা-

(ক) ৭ + ৫ =　　(খ) ৯ + ৬ =

(গ) ১২ + ৬ =　　(ঘ) ১১ + ৭ =

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে বাস্তৱ বস্তুৰ সহায়ত যোগ কৰাত সহায় কৰিব।

### থিয়কৈ যোগ কৰোঁ আহা-

(ক) ৭ + ৫　　(খ) ৭ + ৪　　(গ) ৭ + ৩

### বানপানীৰ প্ৰভাৱ

এইবাৰ বানপানীত বিজুহঁতৰ গাঁৱৰ বহু ক্ষতি হ'ল। বিজুৰ লগৰী ৰেহেনাৰ ভনীয়েকৰ কিতাপবোৰ পানীত পৰিল। সেয়ে বিজুৱে নিজৰ ওচৰত থকা গণিত আৰু ইংৰাজীৰ কিতাপ ৰেহেনাৰ ভনীয়েকক দিলে। তাকে দেখি ৰেহেনাৰ লগৰী বিকাশেও তাইক অসমীয়া আৰু সাধুকথাৰ কিতাপ দিলে।



## ভাবি উত্তৰ কওঁ আহা-

- তোমালোকে বানপানীত ক্ষতি হোৱা লোকক সহায় কৰানে ?
- আমি কেনেদৰে সহায় কৰিব পাৰোঁ ?
- ৰেহেনাৰ ভনীয়েকে মুঠতে কেইখন কিতাপ পালে ?

## তলৰ ছবিখনলৈ চোৱাচোন-

ৰেহেনাহঁতক সহায় কৰিবলৈ তাইৰ লগৰ কেইজনে কেনেদৰে ৰং পেঞ্চিল গোটালে চাওঁ আহা—

মণিকাই দিলে **বাৰ** ডাল,
আতিফে দিলে **পাঁচ** ডাল

মুঠতে হ'ল —







১২ + ৫ = ১৭

> **শিক্ষকলৈ নিৰ্দেশনা ঃ** যোৰ পাতি ছাত্ৰ-ছাত্ৰীক বহুৱাব। যি কোনো এটা যোৰক মাতি দুখন সংখ্যা কাৰ্ড ল'বলৈ দিব। কাৰ্ডত থকা সংখ্যা অনুসৰি কাঠী লৈ যোগ কৰিবলৈ দিব আৰু দহ ডাল কাঠী হ'লে মুঠা কৰিবলৈ দিব। এনেদৰে আন ছাত্ৰ-ছাত্ৰীৰ যোৰবোৰকো সংখ্যা যোগ কৰিব দিব। সংখ্যা কাৰ্ডবোৰ এনেদৰে ল'ব যাতে দুখন কাৰ্ডৰ সংখ্যাৰ যোগফল ২০ৰ ভিতৰত হয়।

## তলৰ যোগটো চাওঁ আহা-




৭
\+ ৬
১৩




৭ + ৬ = ১৩


## যোগ কৰোঁ আহা-




৮
\+ ৪
☐




৮ + ৪ = ১২




৯
+৬
☐



☐ + ☐ = ☐



☐
\+ ☐
☐



☐ + ☐ = ☐



## যোগ কৰোঁ আহা-

| | |
|---|---|
| ৬ + ৬ = | ৭ + ৫ = |
| ৬ + ৯ = | ৮ + ৩ = |
| ১১ + ৩ = | ৯ + ৫ = |

| | |
|---|---|
| (ক) ১২ + ৬ = ☐ | (খ) ১২ + ২ = ☐ |
| (গ) ১৫ + ৩ = ☐ | (ঘ) ৮ + ৮ = ☐ |
| (ঙ) ৯ + ৩ = ☐ | (চ) ১২ + ৪ = ☐ |

**তলৰ সমস্যাবোৰ সমাধান কৰোঁ আহা (দলগতভাৱে)—**

| | |
|---|---|
| ৰীণাৰ হাতত ৫ডোল পেঞ্চিল আছে। নাহৰৰ হাততো ৫ডোল আছে। সিহঁতৰ হাতত মুঠতে কিমান ডাল পেঞ্চিল আছে? | ৫ ডাল<br>+ ৫ ডাল<br>১০ ডাল |
| ফৰিদাই ১০টা তামোল গোটালে। তগৰে গোটালে ৮টা। সিহঁতে মুঠতে কিমান তামোল গোটালে? | ১০ টা<br>+ ৮ টা<br>☐ টা |



বিমলাৰ হাতত ৭টা কমলা আৰু তাইৰ ভনীয়েকৰ হাতত ৮টা কমলা আছে। দুয়োৰে হাতত মুঠতে কিমানটা কমলা আছে?

| | |
|---|---|
| ৭ | টা |
| + ৮ | টা |
| ☐ | টা |

মুনহঁতৰ বাৰীত ৮ জোপা আম গছ আৰু ৬ জোপা কল গছ আছে। বাৰীখনত মুঠতে কিমান জোপা ফলৰ গছ আছে?

| | |
|---|---|
| ৮ | জোপা |
| + ৬ | জোপা |
| ☐ | জোপা |


এটা পাচিত ৭টা আম আৰু ৯টা আপেল আছে। পাচিটোত মুঠতে কিমানটা ফল আছে?

| | |
|---|---|
| ৭ | টা |
| + ৯ | টা |
| ☐ | টা |

## নিজৰ মতে যোগ কৰোঁ আহা

জিনিৰ হাতত **১৫**টা আমলখি আৰু ৰুণীৰ হাতত **৩**টা আমলখি আছে। দুয়োৰে হাতত মুঠ কিমানটা আমলখি আছে গণনা কৰোঁ আহা-

জিনিয়ে গণনা কৰিলে এইদৰে- ১৫ + ৩ = ১৮




কিন্তু ৰুণীয়ে গণনা কৰিলে এনেদৰে-

১৫ + ৩


১০ + ৫ + ৩

১০ + ৮ = ১৮



তোমালোকে বেলেগ ধৰণেও গণনা কৰিব পাৰা নেকি ভাবি চোৱাচোন।

## মণি আৰু কুকুৰাৰ কণী



মণিহঁতৰ ঘৰত ১৮জনী কুকুৰা আছে। কুকুৰাকেইজনীক তাই বৰ মৰম কৰে।



এদিন মণিয়ে দেখিলে যে কুকুৰা কেইজনীয়ে কণী পাৰিছে। মণিয়ে গণি চাই ৯টা কণী পালে।



মণিয়ে কণীকেইটা পাচিত ভৰাই থাকোঁতে ২টা কণী হাতৰ পৰা পৰি ভাঙিল।



মণিৰ বৰ বেজাৰ লাগিল আৰু বাকী থকা কণীকেইটা তাই মাকক দিলে। মাকে তাইক মৰম কৰিলে।

### মণিৰ কাহিনীটো বুজি উত্তৰ লিখোঁ আহা -




মণিহঁতৰ কুকুৰা কেইজনী আছিল?

কুকুৰা কেইজনীয়ে কেইটা কণী পাৰিছিল?

মণিৰ হাতৰ পৰা পৰি কেইটা কণী ভাঙিল?

পাচিটোত কেইটা কণী বাকী থাকিল?

তলৰ ছবিবোৰ চাই বিয়োগ কৰোঁ আহা-

| | | |
|---|---|---|
|  | ১০ - ৩ = ৭ | ১০<br>- ৩<br>৭ |
|  | ১২ - ৭ = | ১২<br>- ৭ |
|  | ১১ - ৬ = | ১১<br>- ৬ |

থিয়কৈ বিয়োগ কৰোঁ আহা-

| | |
|---|---|
| (ক) ১১<br>- ৩ | (খ) ১২<br>- ৫ |
| (গ) ১০<br>- ৪ | (ঘ) ১১<br>- ৭ |

পথালিকৈ বিয়োগ কৰোঁ আহা-

| | |
|---|---|
| ১০ - ২ = | ১৫ - ৯ = |
| ১১ - ৩ = | ১২ - ৫ = |
| ১২ - ৪ = | ১৩ - ৭ = |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে শ্ৰেণীকোঠাত ছবি বা বস্তুৰ সহায়ত বিয়োগৰ ধাৰণা স্পষ্ট কৰি তুলিবলৈ প্ৰয়াস কৰিব।

**তলৰ সমস্যাবোৰ সমাধান কৰোঁ আহা (দলগতভাৱে)-**

অমলে বজাৰৰ পৰা ৯টা বেলুন আনিলে। তাৰে ২টা ফুটিল। অমলৰ হাতত মুঠতে নুফুটা বেলুন কেইটা আছে?

৯টা
\- ২টা
\[ ৭ \] টা

ৰমাৰ হাতত ১১টা কমলা আছে। তাৰে ৪টা কমলা ভনীয়েকক দিলে। ৰমাৰ হাতত কেইটা কমলা থাকিল?

১১টা
\- ৪টা
\[   \] টা

ৰংমনে বজাৰৰ পৰা ১২টা কল আনিলে। তাৰে ৫টা কল ৰংমনে ভায়েক আৰু ভনীয়েকৰ লগত মিলি ভগাই খালে। ৰংমনৰ হাতত কেইটা কল থাকিল?

১২টা
\- ৫টা
\[   \] টা


এটা পাচিত ১৩টা আম আছে। তাৰে ৮টা আম ৰমেন আৰু মায়াই খালে। পাচিটোত কেইটা আম থাকিল?

১৩টা
\- ৮টা
\[   \] টা

তোমাৰ হাতত ১২টা চক্লেট আছে। তাৰে ৫টা তুমি খালা। তোমাৰ হাতত কেইটা চক্লেট থাকিল?

১২টা
\- ৫টা
\[   \] টা

যোগফল ২০ হোৱাকৈ যিকোনো দুটা পুতলা আঁচ টানি মিলাওঁ আঁহা—





যোগ আৰু বিয়োগ কৰি ফলাফলসমূহ লিখোঁ আহা—

| | |
|---|---|
| ৬ + ৪ = ১০ | ৭ + ৫ = ☐ |
| ১০ - ৬ = ৪ | ১২ - ৫ = ☐ |
| ৯ + ☐ = ১২ | ৮ + ৪ = ☐ |
| ১২ - ☐ = ৯ | ১২ - ☐ = ৪ |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** বাস্তৱ বস্তুৰ সহায়ত ফলাফলটো উলিয়াব।

ফুলটোৰ মাজত থকা সংখ্যাটো পাবলৈ কি কি সংখ্যা যোগ বা বিয়োগ কৰিব লাগিব, চাওঁ আহা—




## কৰি চাওঁ আহা-

(ক) ৫ + ০ = ☐  (খ) ৬ + ০ = ☐  (গ) ৪ + ০ = ☐

(ঘ) ৩ – ০ = ☐  (ঙ) ৭ – ০ = ☐  (চ) ৫ – ০ = ☐

## সমাধান কৰোঁ আহা-

| | | | | |
|---|---|---|---|---|
| ৬ | + | ৮ | = | |
| + | | – | | + |
| ৪ | – | ৩ | = | |
| = | | = | | = |
| | + | | = | |





শিক্ষকলৈ নিৰ্দেশনা ঃ শিক্ষকে ছাত্ৰ-ছাত্ৰীক সংখ্যাসমূহ শাৰীপাতি বা পথালিকৈ আৰু থিয়কৈ যোগ কৰিবলৈ ক'ব। উত্তৰসমূহ সমান চিনৰ কাষত বা তলত থকা খালী ঘৰত লিখিব। ইয়াৰ পিছত আকৌ উত্তৰসমূহ পথালিকৈ বা থিয়কৈ যোগ কৰিব দিব।

## কৰি চাওঁ আহা-

- মুনুৰ মাকে তাইক ৫টা আঙুৰ দিলে। বায়েকেও মৰমতে মুনুক নিজৰ ভাগৰ পৰা ৩টা আঙুৰ দিলে। তাৰ পৰা তাই কাষতে থিয় হৈ থকা ৰিণিক ৪টা খাবলৈ দিলে। মুনুৰ হাতত এতিয়া কেইটা আঙুৰ থাকিল?
- ৰিমাৰ হাতত ৩ডাল ৰবৰ আছে। মাকে নতুনকৈ আৰু ৩ডাল দিলে। পিছদিনাখন একে শ্ৰেণীতে পঢ়া অয়নৰ হাতত এডালো ৰবৰ নথকা বাবে ৰিমাই ২ডাল ৰবৰ অয়নক দিলে। ৰিমাৰ হাতত মুঠ কেইডাল ৰবৰ থাকিল?

## সংখ্যাৰ যাদু

১ৰ পৰা৫লৈ সংখ্যাবোৰ এনেদৰে সজোৰা যাতে দীঘ আৰু পথালিকৈ যোগফল সমান হয়।




**প্ৰকল্প**

৬ - ১ = ৫

৯ - ৪ = ৫

৫ - ০ = ৫





৮ - ৩ = ৫

৭ - ২ = ৫

১০ -৫ = ৫

ওপৰত দিয়া ধৰণে ০ৰ পৰা ৯লৈ সংখ্যা ব্যৱহাৰ কৰি **বিয়োগফল** ৩ হোৱাকৈ সংখ্যাসমূহ ফুলৰ পাহিত সজাবলৈ দিব।





**প্ৰকল্প**

৬ + ২ = ৮

৮ + ০ = ৮

৩ + ৫ = ৮





১ + ৭ = ৮

৭ + ১ = ৮

৪ + ৪ = ৮

ওপৰত দিয়া ধৰণে ০ ৰ পৰা ৯লৈ সংখ্যা ব্যৱহাৰ কৰি **যোগফল** ৯ হোৱাকৈ সংখ্যাসমূহ ফুলৰ পাহিত সজাবলৈ দিব।



পাঠ-৯

# জোখ-মাখ


E8G7P1

ৰেবাৰ মাকে তাইৰ বাবে এটা নতুন চুৱেটাৰ গুঁঠিছে। চুৱেটাৰটো গুঁঠি সম্পূৰ্ণ কৰিবলৈ কিমান বাকী আছে ৰেবাৰ গাত দি গুঁঠিবলৈ আঙুলিৰে জুখি চাইছে।








## আঙুল, বেগেত, হাত, ভৰি আদিৰ জোখ চাওঁ আহা-


আঙুল


ভৰি


হাত


বেগেত

## জুখি চাওঁ আহা–



তোমাৰ কিতাপখন কিমান আঙুল দীঘল

☐ আঙুল



তোমাৰ কিতাপখন কিমান বেগেত বহল

☐ বেগেত



তোমাৰ টেবুলখন কিমান হাত দীঘল

☐ হাত



তোমাৰ দলিচাখন কিমান ভৰি দীঘল

☐ ভৰি

**শিক্ষকলৈ নিৰ্দেশনা-** ছবিত দিয়াৰ দৰে ছাত্ৰ-ছাত্ৰীক নিজৰ নিজৰ কিতাপ, মেজ, দলিচা ইত্যাদি বস্তুবোৰ আঙুল, বেগেত, হাত আদিৰে জুখিবলৈ দিব।




## ৰেবাই বিভিন্ন বস্তুসমূহ বেগেতেৰে জুখিব বিচাৰিলে-




















ৰেবাই সকলোবোৰ বস্তু বেগেতেৰে জুখিব পাৰিবনে? বেগেততকৈ চুটি বস্তুসমূহ ঘেৰ কৰা। সেই বস্তুসমূহ আমি আঙুলেৰে জুখিব পাৰিমনে?

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীক বুজাই দিব যে আমাৰ প্ৰয়োজন আৰু সুবিধা অনুসৰি চুটি বস্তু (যেনে - ৰবৰ, চক, ক্লিপ আদি) আঙুলেৰে, অলপ দীঘল বস্তু (যেনে - কিতাপ, বহী, কলম আদি) বেগেতেৰে আৰু তাতকৈ দীঘল বস্তু (যেনে- মেজ, বোৰ্ড, দলিচা আদি হাত বা ভৰিৰে জুখিব পাৰোঁ।

শ্ৰেণীকোঠাত থকা বস্তুসমূহ, আঙুল/বেগেত/হাত কোনটোৰে জুখিম, সেইটোৰ ওপৰত '✓' চিন দিওঁ আহা-

| | | | |
|---|---|---|---|
|  | আঙুল/বেগেত/হাত |  | আঙুল/বেগেত/হাত |
|  | আঙুল/বেগেত/হাত |  | আঙুল/বেগেত/হাত |
|  | আঙুল/বেগেত/হাত |  | আঙুল/বেগেত/হাত |

তলৰ ছবিখন চাই কোনটো কাৰ পৰা কিমান দূৰত আছে অনুমান কৰোঁ আহা —




| এটাৰ পৰা আনটো কিমান দূৰত | আনুমানিক জোখ | প্ৰকৃত জোখ |
|---|---|---|
| মেকুৰীৰ পৰা নিগনি | আঙুল | আঙুল |
| বান্দৰৰ পৰা কল | আঙুল | আঙুল |
| মেকুৰীৰ পৰা কল | আঙুল | আঙুল |
| বান্দৰৰ পৰা নিগনি | আঙুল | আঙুল |


**দীঘলডালত '✓' চিন দিওঁ আহা**



**চুটিডালত ঘেৰ দিওঁ আহা**



আটাইতকৈ **দীঘল** পেঞ্চিলডালত মটীয়া আৰু আটাইতকৈ **চুটি**ডালত বেঙুনীয়া ৰং কৰোঁ আহা—




**কোনটো ওখ কোনটো চাপৰ চাওঁ আহা**

**ওখ মমবাতি ডালত '✓' চিন দিয়া**



**চাপৰ ঘৰত '○' চিন দিয়া**











আটাইতকৈ ওখ গছজোপাত সেউজীয়া আৰু আটাইতকৈ চাপৰ গছজোপাত হালধীয়া ৰং কৰোঁ আহা–



কোনটো গধুৰ, কোনটো পাতল চাওঁ আহা-




গধুৰটোত '✓' চিন দিওঁ আহা-





পাতলটোত '✓' চিন দিওঁ আহা-







**আটাইতকৈ গধুৰ**টোত ৰঙা ৰং আৰু **আটাইতকৈ পাতল**টোত সেউজীয়া ৰং কৰোঁ আহা-




ব্ৰহ্মপুত্ৰ নদীৰ বুকুত থকা লাচিত বৰফুকনৰ প্ৰতিমূৰ্তিটোলৈ চোৱাচোন। মূৰ্তিটোৰ ওচৰত থকা নাওখনত '✓' চিন দিওঁ আহা আৰু দূৰত থকা নাওখন ঘেৰ কৰোঁ আহা -



**আটাইতকৈ ডাঠ** কিতাপখনত কমলা ৰং কৰোঁ আহা আৰু **আটাইতকৈ পাতল** কিতাপখনত সেউজীয়া ৰং কৰোঁ আহা-




**আটাইতকৈ শকত** বেঙেনাটোত বেঙুনীয়া ৰং কৰোঁ আহা আৰু **আটাইতকৈ ক্ষীণ** বেঙেনাটোত হালধীয়া ৰং কৰোঁ আহা-




**কাৰ ধাৰণ ক্ষমতা কিমান চাওঁ আহা–**





কোনটো পাত্ৰত **বেছি** পানী ধৰিব '✓' চিন দিওঁ আহা-



কোনটো পাত্ৰত **কম** পানী ধৰিব '✓' চিন দিওঁ আহা-



আটাইতকৈ **বেছি** পানী ধৰা পাত্ৰত 'নীলা' ৰং আৰু আটাইতকৈ **কম** পানী ধৰা পাত্ৰত নিজৰ ইচ্ছা মতে ৰং কৰোঁ আহা-



আটাইতকৈ **বেছি** পানী ধৰা পাত্ৰটোত '✓' চিন দিওঁ আহা আৰু আটাইতকৈ **কম** পানী ধৰা পাত্ৰটোত ঘেৰ ◯ দিওঁ আহা--




**আটাইতকৈ গধুৰ বস্তুটোৰ তলৰ খালী বাকচত ৰঙা আৰু আটাইতকৈ পাতল বস্তুটোৰ তলৰ খালী বাকচত নীলা ৰং কৰোঁ আহা।**





পানীয়েই জীৱৰ প্ৰাণ। আমি পানী অযথাকৈ খৰচ কৰিব নালাগে। তলৰ কামসমূহ কৰিবলৈ তোমাক কিমান পৰিমাণৰ পানীৰ দৰকাৰ হ'ব, উপযুক্ত পাত্ৰত '✓' চিন দিয়া-











**প্ৰকল্প ঃ** ছাত্ৰ-ছাত্ৰীৰ চৌপাশে থকা বিভিন্ন বস্তু (যেনে - কিতাপ, স্কেল, গামোচা, মেজ আদি)ৰ তালিকা প্ৰস্তুত কৰি আঙুল, বেগেত, হাত আদিৰে জোখ ল'বলৈ দিব।


পাঠ -১০

# সংখ্যাৰ ধাৰণা (২১ৰ পৰা ৯৯লৈ)


লগে ভাগে গাওঁ আহা—





২১ আহে          ২০ৰ পিছত
এক যোগ হৈ,





২২-এ বোলে      দুই দহ দুই
মিলি হওঁ মই।





দুই দহ তিনি      মিলি হয় ২৩
কথাটো জানি লোৱা,





২৪ হ'ল          দুই দহ চাৰি
সঁচানে মিছা কোৱা।





২৫ মানে          দুই দহ পাঁচ
ভাল কৰি বুজা,





দুই দহ ছয়          মিলি হয় ২৬
কাণ পাতি শুনা।





২৭ মানে          দুই দহ সাত
নিজে গণি চোৱা,




দুই দহ আঠ          মিলি হয় ২৮
হয় নে নহয় কোৱা।




২৯ মানে          দুই দহ ন
জানি বুজি লোৱা,




তিনি দহত          হয় ৩০
কথাটো ভাবি চোৱা।

পঢ়োঁ আহা—


| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ২১ | ২২ | ২৩ | ২৪ | ২৫ | ২৬ | ২৭ | ২৮ | ২৯ | ৩০ |

(২১ৰ পৰা ৪০লৈ)




ভোগালী বিহু উপলক্ষে নেহাৰ মাকে নাৰিকলৰ পিঠা পুৰিছে। মাকে নেহাক পিঠাবোৰ দহখনকৈ সজাবলৈ ক'লে। নেহাই কিদৰে সজালে চাওঁ আহা লগতে পিঠাৰ সংখ্যাবোৰ গণনা কৰি পিঠাৰ সংখ্যা অনুসৰি খালী ঘৰবোৰ ৰং কৰোঁ আহা।





২১
একৈছ





২২
বাইছ



২৩

তেইছ



২৪

চৌব্বিছ



২৫

পঁচিছ



২৬

ছাব্বিছ



২৭

সাতাইছ



২৮

আঠাইছ





২৯
ঊনত্ৰিছ



৩০
ত্ৰিছ



৩১
একত্ৰিছ





৩২
বত্ৰিছ



৩৩
তেত্ৰিছ



৩৪
চৌত্ৰিছ

| | | |
|---|---|---|
|  | | ৩৫<br>পঁয়ত্ৰিছ |
|  | | ৩৬<br>ছয়ত্ৰিছ |
|  | | ৩৭<br>সাতত্ৰিছ |
|  | | ৩৮<br>আঠত্ৰিছ |
|  | | ৩৯<br>ঊনচল্লিছ |
|  | | ৪০<br>চল্লিছ |

ক্ৰমত সংখ্যাবোৰ লিখা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৩১ | | ৩৩ | | | | | ৩৮ | | ৪০ |

২১ৰ পৰা ৩০লৈ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ২১ | ২২ | ২৩ | ২৪ | ২৫ | ২৬ | ২৭ | ২৮ | ২৯ | ৩০ |
| | | | | | | | | | |

একাদিক্রমে লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ২১ | ২২ | | | | | | | | ৩০ |
| ২১ | | | | ২৫ | | | | | ৩০ |

বিপৰীত ক্রমত লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৩০ | ২৯ | ২৮ | | | | | | | ২১ |
| ৩০ | | | | | | ২৪ | | | ২১ |

৩১ৰ পৰা ৪০লৈ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৩১ | ৩২ | ৩৩ | ৩৪ | ৩৫ | ৩৬ | ৩৭ | ৩৮ | ৩৯ | ৪০ |
| | | | | | | | | | |

একাদিক্রমে লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৩১ | ৩২ | | | | | | | | ৪০ |
| ৩১ | | | | | ৩৬ | | | | ৪০ |

বিপৰীত ক্রমত লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৪০ | ৩৯ | | | | | | | | ৩১ |
| ৪০ | | | ৩৭ | | | | | | ৩১ |

**শিক্ষকলৈ নির্দেশনা ঃ** শিক্ষকে শিশুসকলক বহীত সংখ্যা লিখাৰ অভ্যাস কৰাব।

**(৪১ৰ পৰা ৬০লৈ)**

সৰস্বতী পূজাৰ বাবে সকলোৱে বিদ্যালয়খন ফুলৰ মালাৰে সজাবলৈ লৈছে। আহাচোন, মালাবোৰ কেনেকৈ গাঁথিছে চাওঁ। ছোৱালীজনীৰ হাতত দেখুওৱাৰ দৰে নহয়নে?








- হাতত থকা এডাল মালাত কেইটাকৈ ফুল আছে গণনা কৰোঁ আহা।
- হাতত থকা মালা দুডালত মুঠ ফুল কিমান আছে?
- তোমালোকে বাৰু কি কি উৎসৱত ঘৰখন সজোৱা?
- ছবিখনত থকা ছোৱালীজনীৰ হাতত মুঠ মালা কেইডাল আছে?






**গণনা কৰি কিমান আছে চাওঁ আহা –**

| | |
|---|---|
| ৪১ | একচল্লিছ |
| ৪২ | বিয়াল্লিছ |
| ৪৩ | তিয়াল্লিছ |
| ৪৪ | চৌচল্লিছ |
| ৪৫ | পঞ্চল্লিছ |

| | |
|---|---|
| ৪৬ | ছয়চল্লিছ |
| ৪৭ | সাতচল্লিছ |
| ৪৮ | আঠচল্লিছ |
| ৪৯ | ঊনপঞ্চাছ |
| ৫০ | পঞ্চাছ |

গণনা কৰি কিমান আছে চাওঁ আহা –

| | |
|---|---|
|  | ৫১ একান্ন |
|  | ৫২ বাৱন |
|  | ৫৩ তেৰন |
|  | ৫৪ চৌৱন |
|  | ৫৫ পঁচপন |

| | |
|---|---|
|  | ৫৬ ছাপ্পন |
|  | ৫৭ সাতাৱন |
|  | ৫৮ আঠাৱন |
|  | ৫৯ ঊনষাঠি |
|  | ৬০ ষাঠি |

সংখ্যাৰ লগত সংখ্যাৰ নাম মিলাওঁ আহা—

| | |
|---|---|
| ৫১ | সোতৰ |
| ২২ | একান্ন |
| ৬০ | আঠাইছ |
| ১৭ | বাইছ |
| ২৮ | ষাঠি |

| | |
|---|---|
| ৫৪ | সাতাইছ |
| ৫৮ | চৌৱন |
| ২১ | আঠাৱন |
| ২৭ | ঊনষাঠি |
| ৫৯ | একৈছ |

সংখ্যাৰ নামটো চাই শুদ্ধটোত ঘেৰ দিওঁ আহা –

| | | | | | | |
|---|---|---|---|---|---|---|
| তেইছ | ৪৪ , | ২৩ , | ৫১ , | ৩০, | ২৯, | ১৪ |
| বাৰন | ৫৮ , | ৩১ , | ৫২ , | ৪১, | ২২, | ৩৮ |
| সাতাইছ | ২৭ , | ৩৩ , | ১৯ , | ২৬, | ৩৮, | ২০ |
| সাতাৰন | ১২ , | ৪৮ , | ৩৫ , | ৫৫, | ৪০ | ৫৭ |
| ষাঠি | ১৮ , | ২৫ , | ৬০ , | ৪১, | ৩৩, | ৩৮ |

৪১ৰ পৰা ৫০লৈ সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৪১ | ৪২ | ৪৩ | ৪৪ | ৪৫ | ৪৬ | ৪৭ | ৪৮ | ৪৯ | ৫০ |
| ৪১ | | | | | ৪৬ | | | | |

একাদিক্ৰমে সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৪১ | ৪২ | | | | | | | | ৫০ |
| | | ৪৩ | | | | | | ৪৯ | |

বিপৰীত ক্ৰমত সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৫০ | ৪৯ | | | | | | | | ৪১ |
| | | ৪৮ | | | | | ৪৩ | | |

৫১ৰ পৰা ৬০লৈ সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৫১ | ৫২ | ৫৩ | ৫৪ | ৫৫ | ৫৬ | ৫৭ | ৫৮ | ৫৯ | ৬০ |
| | | | | | | | | | |

একাদিক্রমে সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৫১ | ৫২ | | | | | | | | ৬০ |
| | | | | | | | | | |

বিপৰীত ক্রমত সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৬০ | ৫৯ | | | | | | | | ৫১ |
| | | | | | | | | | |

খেলিমেলিকৈ থকা সংখ্যাবোৰ একাদিক্রমে সজাওঁ আহা—


| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৪১ | ৪৫ | ৪৭ | ৪৪ | ৪৯ | ৪২ | ৪৬ | ৫০ | ৪৮ | ৪৩ |
| | | | | | | | | | |

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৫৩ | ৫৭ | ৬০ | ৫৪ | ৫৮ | ৫১ | ৫৯ | ৫৬ | ৫২ | ৫৫ |
| | | | | | | | | | |


| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৩১ | ৩৫ | ৩৭ | ৩৪ | ৩৯ | ৩২ | ৩৬ | ৪০ | ৩৮ | ৩৩ |
| | | | | | | | | | |

**শিক্ষকলৈ নির্দেশনা ঃ** শিক্ষকে ওপৰত দেখুওৱা ধৰণে শিশুসকলক বহীত সংখ্যা লিখাৰ অভ্যাস কৰাব।


দহৰ মুঠা আৰু খোলা কাঠীবোৰ গণি সংখ্যাবোৰ পঢ়োঁ আহা—




৬১
এষষ্ঠি




৬২
বাষষ্ঠি




৬৩
তেষষ্ঠি




৬৪
চৌষষ্ঠি




৬৫
পঁইষষ্ঠি




৬৬
ছয়ষষ্ঠি




৬৭
সাতষষ্ঠি



৬৮
আঠষষ্ঠি



৬৯
ঊনসত্তৰ




৭০
সত্তৰ


ক্ৰমত সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৬১ | ৬২ | | | ৬৫ | | | | | ৭০ |


দহৰ মুঠা আৰু খোলা কাঠীবোৰ গণি সংখ্যাবোৰ পঢ়োঁ আহা—




৭১
এসত্তৰ




৭২
বাসত্তৰ




৭৩
তেসত্তৰ




৭৪
চৌসত্তৰ




৭৫
পঁইসত্তৰ




৭৬
ছয়সত্তৰ




৭৭
সাতসত্তৰ



৭৮
আঠসত্তৰ



৭৯
ঊনাশী



৮০
আশী

ক্ৰমত সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৭১ | ৭২ | | | ৭৫ | | | | | ৮০ |

৬১ৰ পৰা ৭০লৈ সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৬১ | ৬২ | ৬৩ | ৬৪ | ৬৫ | ৬৬ | ৬৭ | ৬৮ | ৬৯ | ৭০ |
| ৬১ | | | | ৬৫ | | | | | |

একাদিক্রমে সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৬১ | ৬২ | | | | | | | | ৭০ |
| | | | | | | | | | |

বিপৰীত ক্রমত সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৭০ | ৬৯ | | | | | | | | ৬১ |
| | | ৬৮ | | | | | ৬৩ | | |

৭১ৰ পৰা ৮০লৈ সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৭১ | ৭২ | ৭৩ | ৭৪ | ৭৫ | ৭৬ | ৭৭ | ৭৮ | ৭৯ | ৮০ |
| | | | | | | | | | |

একাদিক্রমে সংখ্যাবোৰ লিখোঁ আহা—


| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৭১ | ৭২ | | | | | | | | ৮০ |
| | | | | | | | | | |

বিপৰীত ক্রমত সংখ্যাবোৰ লিখোঁ আহা—


| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৮০ | ৭৯ | | | | | | | | ৭১ |
| | | | | | | | | | |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ওপৰত দেখুওৱাৰ দৰে শিক্ষকে শিশুসকলক বহীত সংখ্যা লিখাৰ অভ্যাস কৰাব।


দহৰ মুঠা আৰু খোলা কাঠীবোৰ গণি সংখ্যাবোৰ পঢ়োঁ আহা—




৮১
একাশী




৮২
বিৰাশী




৮৩
তিৰাশী




৮৪
চৌৰাশী




৮৫
পঁচাশী




৮৬
ছয়াশী




৮৭
সাতাশী



৮৮
আঠাশী



৮৯
ঊনানব্বৈ




৯০
নব্বৈ


ক্ৰমত সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৮১ | ৮২ | | | ৮৫ | | | | | ৯০ |


দহৰ মুঠা আৰু খোলা কাঠীবোৰ গণি সংখ্যাবোৰ পঢ়োঁ আহা—




৯১
একানব্বৈ




৯২
বিৰানব্বৈ




৯৩
তিৰানব্বৈ




৯৪
চৌৰানব্বৈ




৯৫
পঁচানব্বৈ




৯৬
ছয়ানব্বৈ




৯৭
সাতানব্বৈ



৯৮
আঠানব্বৈ



৯৯
নিৰানব্বৈ



১০০
এশ

ক্ৰমত সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৯১ | | | ৯৪ | | | | | ৯৯ | ১০০ |

৮১ৰ পৰা ৯০লৈ সংখ্যাবোৰ লিখোঁ আহা-

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৮১ | ৮২ | ৮৩ | ৮৪ | ৮৫ | ৮৬ | ৮৭ | ৮৮ | ৮৯ | ৯০ |
| ৮১ | | | | | | | ৮৮ | | |

একাদিক্ৰমে সংখ্যাবোৰ লিখোঁ আহা-

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৮১ | ৮২ | | | | | | | | ৯০ |
| | | | ৮৪ | | | | | ৮৯ | |

বিপৰীত ক্ৰমত সংখ্যাবোৰ লিখোঁ আহা-

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৯০ | ৮৯ | | | | | | | | ৮১ |
| | | | | | | | | | |

৯১ৰ পৰা ১০০লৈ সংখ্যাবোৰ লিখোঁ আহা-

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৯১ | ৯২ | ৯৩ | ৯৪ | ৯৫ | ৯৬ | ৯৭ | ৯৮ | ৯৯ | ১০০ |
| | | | | | | | | | |

একাদিক্ৰমে সংখ্যাবোৰ লিখোঁ আহা-

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৯১ | ৯২ | | | | | | | ৯৯ | |
| | | | | | | | | | |

বিপৰীত ক্ৰমত সংখ্যাবোৰ লিখোঁ আহা-

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| | ৯৯ | ৯৮ | | | | | | | ৯১ |
| | | | | | | | | | |










**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে শিশুসকলক বহীত সংখ্যা লিখাৰ অভ্যাস কৰাব।

১ৰ পৰা ১০০ লৈ ক্ৰমত সংখ্যাবোৰ লিখোঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | ১১ | | | | | | | | ৯১ |
| ২ | | | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |
| | ১৫ | | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | ৯৯ |
| ১০ | | | | | | | | | ১০০ |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে ৯৯লৈ সংখ্যাবোৰ একাদিক্ৰমে আৰু বিপৰীতক্ৰমে ক'বলৈ আৰু লিখিবলৈ শিকাব।

**দহৰ গোট চাওঁ আহা -**

| | | |
|---|---|---|
|  ১০ | ১ দহ | ১০ দহ |
|  ১০ ১০ | ২ দহ | ২০ বিছ |
|  ১০ ১০ ১০ | ৩ দহ | ৩০ ত্ৰিছ |
|  ১০ ১০ ১০ ১০ | ৪ দহ | ৪০ চল্লিছ |
|  ১০ ১০ ১০ ১০ ১০ | ৫ দহ | ৫০ পঞ্চাছ |
|  ১০ ১০ ১০ ১০ ১০ ১০ | ৬ দহ | ৬০ ষাঠি |
|  ১০ ১০ ১০ ১০ ১০ ১০ ১০ | ৭ দহ | ৭০ সত্তৰ |
|  ১০ ১০ ১০ ১০ ১০ ১০ ১০ ১০ | ৮ দহ | ৮০ আশী |
|  ১০ ১০ ১০ ১০ ১০ ১০ ১০ ১০ ১০ | ৯ দহ | ৯০ নব্বৈ |

০, ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯ গাণিতিক চিনবিলাকক অংক বুলিও কওঁ। এই দহটা অংক ব্যৱহাৰ কৰি আমি যিকোনো সংখ্যা লিখোঁ। উদাহৰণস্বৰূপে ২৭ সংখ্যাটো লিখিবলৈ ২ আৰু ৭ অংকটো লওঁ।

তলৰ অংকবোৰেৰে সংখ্যা গঠন কৰোঁ আহা—

| | |
|---|---|
| ৩, ৮ | ৩৮, ৮৩ |
| ১, ৫ | |
| ২, ৬ | |
| ৪, ৭ | |

তলৰ সংখ্যাবোৰত থকা অংকসমূহ লিখোঁ আহা—

| | |
|---|---|
| ৬১ | ৬, ১ |
| ৭৫ | |
| ৫৮ | |
| ৪৩ | |

সংখ্যাৰ লগত সংখ্যাৰ নাম মিলাওঁ আহা

| | |
|---|---|
| ১২ | বিছ |
| ২০ | ত্ৰিছ |
| ২৫ | বাৰ |
| ৩০ | আঠাইছ |
| ২৮ | পঁচিছ |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে 'অংক' আৰু 'সংখ্যা'ৰ মাজত থকা পাৰ্থক্যসমূহ বুজি পোৱাত শিশুসকলক সহায় কৰিব।


**প্ৰকল্প ঃ** ছাত্ৰ-ছাত্ৰীক দলীয়ভাৱে ২১ৰ পৰা ৯৯লৈ সংখ্যাকাৰ্ড প্ৰস্তুত কৰিবলৈ দিব। শিক্ষকে সুবিধা অনুযায়ী প্ৰতিটো দলক বেলেগ সংখ্যাকাৰ্ড প্ৰস্তুত কৰিবলৈ দিব। এই ক্ষেত্ৰত তেওঁলোকে বিভিন্ন ৰং বা বিভিন্ন ৰঙৰ কাগজ ব্যৱহাৰ কৰিব পাৰিব।

পাঠ -১১

# বাৰে বাৰে যোগ

W7J4I9

মাইনাই গছপুলি ৰুই খুব ভাল পায়



তাই মুঠতে কেইজোপা গছপুলি নতুনকৈ ৰুলে চোৱাচোন--

মাইনাই এটাকৈ গছপুলি তিনি ঠাইত ৰুইছে।

১ + ১ + ১ = ৩

১ তিনিবাৰ যোগ কৰিলে ৩ হ'ব।

মাইনাই মুঠতে ৩ জোপা গছপুলি ৰুলে।

ডাক্তৰ খুড়াই কৈছে যে কল খালে গাত বল পায়। সেই কাৰণে হেমেন, ডেভিদ আৰু নাজমাই সদায় দুটাকৈ কল খায়।



তিনিও মিলি সদায় কেইটা কল খায় চাওঁ আহা--


দুটাকৈ কল তিনিজনে খায়

২ + ২ + ২ = ৬

২ তিনিবাৰ যোগ কৰিলে ৬ হ'ব।

তিনিও মিলি মুঠ ৬টা কল খায়।

ৰমলাই বজাৰৰ পৰা ঔটেঙা, কমলা আৰু আপেল কিনিলে। তাই প্ৰতিবিধ ফলৰ কেইটাকৈ কিনিলে চাওঁ আহা-



৩ + ৩ + ৩ + ৩ + ৩ = ১৫টা ঔটেঙা

৩টাকৈ ৫ বাৰ = ☐


ৰমলাই মুঠ ঔটেঙা কিনিলে = ☐ টা



৪ + ৪ + ৪ = ১২টা কমলা

৪টাকৈ ৩ বাৰ = ☐

ৰমলাই মুঠ কমলা কিনিলে = ☐ টা




৫ + ৫ + ৫ + ৫ = ২০ টা আপেল

৫ টাকৈ ৪ বাৰ = ☐

ৰমলাই মুঠ আপেল কিনিলে = ☐ টা

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱনৰ লগত জড়িত বাৰে বাৰে যোগ হোৱা বিভিন্ন উদাহৰণ দিব। শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিভিন্ন সাজোন যেনে - কিতাপৰ সাজোন, বেলুনৰ সাজোন, চকীৰ সাজোন, ছাত্ৰ-ছাত্ৰীৰ বহাৰ সাজোন, বিস্কুটৰ সাজোন, প্ৰাৰ্থনা সভাৰ সাজোন আদিত ব্যৱহাৰ হোৱা বস্তু বা ছাত্ৰ-ছাত্ৰীৰ গোট বা থূপৰ বিষয়ে উল্লেখ কৰি বাৰে বাৰে যোগ হোৱা বিভিন্ন উদাহৰণ দিব।

## মুঠ কিমান হ'ল চাওঁ আহা –




৪ + ৪ + ৪ + ৪ = ☐ টা কল

৪টাকৈ ৪ বাৰ = ☐




☐ + ☐ + ☐ + ☐ + ☐ + ☐ = ☐ টা আম

৩টাকৈ ৬ বাৰ = ☐



☐ + ☐ + ☐ + ☐ + ☐ = ☐ ডাল পেঞ্চিল

৪টাকৈ ৫ বাৰ = ☐



মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা = ☐ + ☐ + ☐ + ☐ + ☐ + ☐ গৰাকী

২ গৰাকীকৈ ৬ বাৰ = ☐ গৰাকী ছাত্ৰ-ছাত্ৰী = ☐ গৰাকী

**প্ৰকল্প ঃ**

তোমালোকৰ ঘৰৰ অতি কমেও তিনিজন সদস্যৰ দুয়োখন হাতৰ ছাপ আঁকা। প্ৰতিটো ছাপত কেইটাকৈ আঙুলি আছে গণনা কৰা। মুঠ আঙুলি কেইটা পালা লিখা।

## পাঠ -১২


## তথ্যৰ ব্যৱহাৰ

C3B6E4

জুমনে ককাকৰ সৈতে ফল কিনিবলৈ মোহন খুড়াৰ দোকানলৈ গ'ল।



**দোকানখনত থকা ফলবোৰ চাওঁ আহা–**

- আম  কেইটা আছে? ☐ টা
- ডালিম  কেইটা আছে? ☐ টা
- কমলা  কেইটা আছে? ☐ টা
- তৰমুজ  কেইটা আছে? ☐ টা
- আটাইতকৈ কম থকা ফলবিধৰ নাম কি? ☐
- কোন দুবিধ ফল সমান সমান আছে? ☐ আৰু ☐
- কোনবিধ ফল আটাইতকৈ বেছি আছে? ☐

**তলৰ ছবিখন চাওঁ আহা–**



ওপৰৰ ছবিখনত থকা ভিন ভিন পতংগবোৰ গণনা কৰি সংখ্যাবোৰ তালিকাত লিখোঁ আহা—

| | |
|---|---|
| মৌমাখি  | ....................টা |
| পৰুৱা  | ....................টা |
| পখিলা  | ....................টা |

**সঁচানে মিছা কওঁ আহা -**

- মৌ-মাখিতকৈ  পৰুৱাৰ  সংখ্যা বেছি।
- পখিলাতকৈ  মৌমাখিৰ  সংখ্যা বেছি।
- পৰুৱা  আৰু পখিলাৰ  সংখ্যা সমান।

**ছবিখন চাই তলৰ খালী বাকচবোৰ পূৰ কৰোঁ আহা-**



➲ ওলোমাই থোৱা হেতা  কেইখন আছে?

☐ খন

➲ কেৰাহী  কইটা আছে? ☐ টা

➲ জগ  কেইটা আছে ? ☐ টা

➲ গিলাচ  কেইটা আছে? ☐ টা

**ছবিখন চাই তলৰ খালী বাকচবোৰ পূৰ কৰোঁ আহা –**




➲ ছবিখনত কেইগৰাকী ছাত্ৰ-ছাত্ৰী আছে? ☐ গৰাকী

➲ জাবৰ পেলোৱা বাচন কেইটা আছে? ☐ টা

➲ কেইগৰাকীয়ে বিলাই আছে? ☐ গৰাকীয়ে



**ওপৰৰ ছবিখন চাই তলৰ খালী বাকচবোৰ পূৰ কৰোঁ আহা–**

- বগলী  কেইটা আছে?
- হাঁহ  কেইটা আছে?
- মাছৰোকা  চৰাই কেইটা আছে?
- কোনবিধ চৰাই আটাইতকৈ বেছি আছে?
- বগলী আৰু হাঁহ মিলি মুঠতে কিমানটা চৰাই আছে?
- তিনিওবিধ মিলি মুঠতে কিমানটা চৰাই আছে?

**খেলোঁ আহা**

শিক্ষকে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ চৌপাশত থকা বিভিন্ন গছৰ সৰাপাত গোটাবলৈ দিব। কোনে কিমান পাত গোটালে গণিবলৈ দি, কোনে আটাইতকৈ বেছি আৰু কোনে আটাইতকৈ কম পাত গোটালে সুধিব।

পাঠ–১৩

# চানেকি



বিহু অসমৰ জাতীয় উৎসৱ। ৰঙালী বিহুত আমি বিহু নাচোঁ। নাচনীজনীৰ হাতত থকা জাপিটোলৈ মন কৰাচোন। জাপিটোত থকা বিভিন্ন সাজোনবোৰ চাওঁ আহা--







**ঢুলীয়াৰ ঢোলটোত থকা গামোচাখনৰ ফুলৰ সাজোনটো চাওঁ আহা-**





**নাচনীজনীৰ মেখেলাখনত থকা ফুলৰ সাজোনটো মন কৰোঁ আহা -**



**শিক্ষকলৈ নিৰ্দেশনা ঃ** অসমীয়া কেলেণ্ডাৰ অনুসৰি প্ৰতি বছৰে চ'ত মাহৰ সংক্ৰান্তিৰ দিনাৰ পৰা অসমত ব'হাগ বিহু পালন কৰা হয়। শিক্ষকে বিহুৰ লগত জড়িত কথাবোৰ বিতংকৈ আলোচনা কৰিব লগতে পৰিয়ালৰ সৈতে উৎসৱ পালন কৰাৰ অভিজ্ঞতাৰ বিষয়ে ক'বলৈ শিশুসকলক উৎসাহিত কৰিব। বিহু অথবা আন আন উৎসৱত ব্যৱহৃত বিভিন্ন সাজ-পাৰ, সঁজুলি, বাদ্যযন্ত্ৰ আদিত থকা চানেকি বা আকৃতিৰ বিষয়ে শিশুসকলৰ লগত আলোচনা কৰিব।


**আমাৰ চাৰিওফালে থকা বস্তু কিছুমানৰ চানেকি চাওঁ আহা-**


- পৰিৱেশত পোৱা চানেকিসমূহ






- মানুহে সজা চানেকিসমূহ







তোমালোকে এনেধৰণৰ চানেকি আৰু ক'ত ক'ত দেখিছা কোৱাচোন।


**চানেকিবোৰ ক্ৰমত ৰং কৰোঁ আহা-**







চানেকিবোৰ সম্পূৰ্ণ কৰোঁ আহা-




সংখ্যাৰ চানেকিসমূহ সম্পূৰ্ণ কৰোঁ আহা-




ডেভিদে আঙুলিৰ ছাপ ব্যৱহাৰ কৰি বিভিন্ন চানেকি সাজিছে। এই চানেকিসমূহ চাই আমিও বিভিন্ন চানেকি সাজিবলৈ যত্ন কৰোঁচোন।








**আঙুলিৰ ছাপেৰে চানেকি সাজোঁ আহা-**

**শিক্ষকলৈ নির্দেশনা ঃ** ছাত্র-ছাত্রীক আঙুলিৰ ছাপ ব্যৱহাৰ কৰি বিভিন্ন চানেকি সাজিবলৈ উৎসাহিত কৰিব।

**মীনা বাইদেউৰ সংগীত বৰ প্ৰিয়। ছাত্ৰ-ছাত্ৰীসকলৰ লগত তেওঁ সংগীতৰ সাত সুৰৰ চৰ্চা কৰি আছে।**



**সংগীতৰ এই সাতটা সুৰক বিভিন্ন ধৰণে সজাওঁ আহা -**

সা ৰে গা মা পা ধা নি

সাসা ৰেৰে গাগা ____ ____ ____ ____

সাৰে ৰেগা গামা ____ ____ ____ ____

সাৰেগা ৰেগামা গামাপা ________ ________

তোমালোকেও এনে ধৰণৰ চানেকি সাজিবলৈ যত্ন কৰাচোন-

**প্ৰকল্প** গছৰ পাত, শুকান ফুল, গছৰ গুটি, দাইল আদি ব্যৱহাৰ কৰি বিভিন্ন চানেকি সাজিবলৈ দিব। গছৰ পাত, ভেণ্ডী, পিঁয়াজ, আলু আদি কাটি সেইবোৰত ৰং লগাই কাগজত ছাপ দি বিভিন্ন চানেকি সাজিবলৈ দিব।

পাঠ -১৪

# টকা-পইচা

ৰিণি আৰু মাক দুয়ো বজাৰলৈ যাবলৈ ওলাইছে। মাকে ৰিণিক তেওঁৰ বেগৰ পৰা অলপ পইচা ল'বলৈ ক'লে। ৰিণিয়ে দেখিলে যে মাকৰ বেগত দুই ধৰণৰ পইচা (**নোট** আৰু **মুদ্ৰা**)আছে।




মাকে তাইক বিভিন্ন **নোট** আৰু **মুদ্ৰাৰ** লগত চিনাকি কৰাই দিলে।





১ টকা　২ টকা　৫ টকা　১০ টকা　২০ টকা



৫ টকা　১০ টকা　২০ টকা　৫০ টকা　১০০ টকা

## মিলাওঁ আহা

| বাওঁ অংশ | সোঁ অংশ |
|---|---|
| ১ টকা |  |
| ২ টকা | |
| ৫ টকা | |
| ১০ টকা | |
| ২০ টকা | |

| বাওঁ অংশ | সোঁ অংশ |
|---|---|
|  | ১০ টকা |
| | ২০ টকা |
| | ৫ টকা |
| | ১০০ টকা |
| | ৫০ টকা |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** টকাৰ পৰিমাণ বুজাবলৈ ব্যৱহাৰ কৰা টকাৰ '₹' চিহ্নটোৰ বিষয়ে শিক্ষকে শ্ৰেণীকোঠাত আলোচনা কৰিব।

## তলৰ বস্তুবোৰৰ দাম জানো আহা-




## কোনটো বস্তুৰ দাম কিমান চাওঁ আহা-

- এটা  পুতলাৰ দাম ১৫ টকা। ৰিণিয়ে পুতলা এটা কিনিবৰ বাবে দোকানীক কিমানটা ৫ টকীয়া মুদ্রা দিব? ☐ টা
- এটা  পুতলাৰ দাম ২০ টকা। ৰিণিৰ মাকে এটা পুতলা কিনিবৰ বাবে দোকানীক ১০ টকাৰ নোট কেইখন দিব? ☐ খন
- ৰিণিয়ে ১০ টকাৰে কি কি বস্তু কিনিব পাৰিব '✓' চিন দিওঁ আহা।

| | | | |
|---|---|---|---|
|  পুতলাগাড়ী |  বেট |  বল |  পইচা থোৰা টেকেলী |

- ৰিণিয়ে ভায়েকৰ বাবে  বেট এখন কিনিলে। তাইৰ হাতত থকা ১০ টকীয়া নোটখন দোকানীক দিলে। ৰিণিয়ে দোকানীক আৰু কিমান টকা দিব লাগিব? ☐ টকা
- ৰিণিৰ মাকৰ হাতত ৫০ টকা আছে। ৰিণিৰ মাকে ৫০ টকাৰে দোকানৰ পৰা কি কি বস্তু কিনিব পাৰিব আলোচনা কৰা।

**শিক্ষকলৈ নির্দেশনা ঃ** শিক্ষকে ছাত্র-ছাত্রীক পইচা জমা কৰা টেকেলীৰ বিষয়ে ক'ব লগতে শিশুকালৰ পৰাই সঞ্চয়ৰ অভ্যাস গঢ়াটো যে ভাল, সেই বিষয়েও আলোচনা কৰিব।

কি কি নোট/মুদ্রা লগ লগাই তলত উল্লেখ কৰা টকাৰ পৰিমাণবোৰ পাওঁ '✓' চিন দিওঁ আহা—

১২ টকা = 

১৫ টকা = 

১১ টকা = 

৭ টকা = 

১৬ টকা = 

২৩ টকা = 


তলত দিয়া নোট আৰু মুদ্ৰাসমূহে বুজোৱা মুঠ টকা কিমান হ'ব '✓' চিন দিওঁ আহা–

| | | | |
|---|---|---|---|
|  | ৩ টকা | ৮ টকা ✓ | ১২ টকা |
|  | ১১ টকা | ১২ টকা | ১৩ টকা |
|  | ১৪ টকা | ১৫ টকা | ১৯ টকা |
|  | ৪ টকা | ১৩ টকা | ১৯ টকা |

তলত বস্তুবোৰৰ দাম লিখা আছে। প্ৰতিটো বস্তুৰ বাবে কিমান নোট/মুদ্ৰা লাগিব লিখোঁ আহা —

১০ টকা + ৫ টকা


৫ টকা + ৫ টকা + ৫ টকা



১৫ টকা




১০ টকা



২০ টকা

একে পৰিমাণ সূচোৱা নোট/মুদ্ৰাসমূহ আঁচ টানি মিলাওঁ আহা—



## কৰি চাওঁ আহা-

১। ৰাজুৰ হাতত আছে  টকা, মীনাৰ হাতত আছে  টকা দুয়োৰে মিলি মুঠ ☐ টকা।

২। এটা  চকলেটৰ দাম ২ টকা, এডাল  পেঞ্চিলৰ দাম ৫ টকা। চকলেটটো আৰু পেঞ্চিলডাল কিনিবলৈ কিমান টকা লাগিব? ☐ টকা

৩। পাহিৰ হাতত ১৫ টকা আছিল। ৰুণজুনক তাৰে ১০ টকা দিলে। পাহিৰ হাতত কিমান টকা থাকিল? ☐ টকা

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে শ্ৰেণীকোঠাত এক কাল্পনিক দোকান বা বজাৰৰ পৰিৱেশ ৰূপায়ণ কৰাব। ছাত্ৰ-ছাত্ৰীক দলগতভাৱে দোকানী আৰু কিনোতাৰ ভূমিকা ল'বলৈ দিব। দোকানৰ সামগ্ৰী হিচাপে শ্ৰেণীকোঠাত পোৱা বস্তু ব্যৱহাৰ কৰিব। বেচা-কিনা মাধ্যম হিচাপে প্ৰতীকী নোট আৰু মুদ্ৰা ব্যৱহাৰ কৰিব।

**প্ৰকল্প ঃ** ছাত্ৰ-ছাত্ৰীয়ে দৈনিক ব্যৱহাৰ কৰা বিভিন্ন সামগ্ৰীসমূহৰ (যেনে- কিতাপ, বহী, কলম, ৰবৰ, পেঞ্চিল আদি) দাম লিখিব আৰু সেই দাম পাবলৈ কি কি নোট/মুদ্ৰা ব্যৱহাৰ কৰিব তাৰ এখন তালিকা কৰিব।

# পাঠ প্ৰস্তুতকৰণত জড়িত ব্যক্তিসকল

P6G4B6

শ্ৰী উত্তম তালুকদাৰ, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধুবুৰী
শ্ৰী ছয়নিকা ডেকা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা হাউলী
ড° ৰীতা চৌধুৰী, সহকাৰী শিক্ষক, নৰ্মাল স্কুল, নগাঁও
শ্ৰী কুলদীপ কুমাৰ কলিতা, গ্ৰেজুৱেট ইনষ্ট্ৰাক্‌টৰ, বিটিচি, হাউলী
শ্ৰী সুভাষ বৰ্মন, খণ্ড সমল ব্যক্তি, বড়িগোগ-বনভাগ শিক্ষাখণ্ড, নলবাৰী
শ্ৰী মতী দীপান্বিতা বৰুৱা, সহকাৰী শিক্ষক, নাৰেংগী প্ৰাথমিক বিদ্যালয়, গুৱাহাটী
শ্ৰী মতী পূৰালী শইকীয়া দাস, সহকাৰী শিক্ষক, খোপনিকুছি প্ৰাথমিক বিদ্যালয়, কামৰূপ
শ্ৰী দিব্যাজ্যোতি মেধি, সহকাৰী শিক্ষক, ভেৰাকুছি প্ৰাথমিক বিদ্যালয়, কামৰূপ
শ্ৰী চয়নিকা মালাকাৰ, সহকাৰী শিক্ষক, খোপনিকুছি নিজৰাপাৰ প্ৰাথমিক বিদ্যালয়, কামৰূপ

**পৰামৰ্শদাতা ঃ**
ড° নিৰদা দেৱী, সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**সমন্বয়ক ঃ**
শ্ৰী বন্দনা দুৱৰী, যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰী মুকেশ শৰ্মা, যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰী ডিকুমণি হাজৰিকা, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**পুনৰীক্ষক ঃ**
ড° মৃণাল শৰ্মা, সহকাৰী অধ্যাপক, নাৰেংগী আঞ্চলিক মহাবিদ্যালয়, গুৱাহাটী
শ্ৰী বীৰেন ভট্টাচাৰ্য, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰবক্তা, ডায়েট, কোকৰাঝাৰ
শ্ৰী মতী ৰাণু বৰগোহাঁই, অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক, তাৰিণী চৌধুৰী চৰকাৰী ছোৱালী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী

**প্ৰথম সংস্কৰণত জড়িত ব্যক্তিসকল ঃ**
শ্ৰী প্ৰতুল কুমাৰ শৰ্মা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, লালসিং একাডেমী হাইস্কুল, গুৱাহাটী
শ্ৰী বীৰেন ভট্টাচাৰ্য্য, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰ

**কিউ আৰ ক'ড সংযোজক ঃ** ৰুকছানা শইকীয়া, উপ সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**অলংকৰণ ঃ** শংকৰ কলিতা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
**ডিটিপি ঃ** উৎসৱ তালুকদাৰ, শৈলেন তালুকদাৰ

# নির্মল অসম গঢ়োঁ আহা

## স্বচ্ছতাৰ অভিমুখে এখোজ



স্বচ্ছ জীৱন, সুস্থ জীৱন।
মোৰ জীৱনেই দেশৰ জীৱন।



পেলনীয়া বস্তু ডাষ্টবিন বা গাঁতত পেলাব লাগে।
ঘৰ বা স্কুল পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে চুবুৰি আৰু চৌপাশ পৰিষ্কাৰ কৰাৰো প্ৰয়োজন।